হয় ৰাজ্যখনৰ বাটপথ আলিহুৱাৰ আদি ঠিক কৰিবৰ কাৰণে কিন্তু তাৰ সলনি এই বিভাগে ধ্বংসহে কৰিব বিচাৰিছে । সিদিনাও মই কৈছো আৰু আজিও খবৰ পাইছো, হেলেমত ৬ হাজাৰ বেগ চিমেণ্ট ওলাইছে । ৫২ নং নেচনেল হাইওৱেৰ দলং বনাবৰ কাৰণে এই চিমেণ্ট অনা হৈছিল আৰু বৰ্ত্তমান এই চিমেণ্ট আবদ্ধ কৰি ৰখা হৈছে । এই চিমেণ্ট তদন্ত কৰি চোৱা হৈছে আৰু তদন্তত ধৰা পৰিছে যে এই চিমেণ্ট গোট নামেৰে আৰু ইয়াত বালিৰ পৰিমান বেছি, বিভাগে তদন্ত কৰি থকা বুলি কৈছে আমি কিন্তু সন্তুষ্ট হব পৰা নাই । গতিকে এইটো এট গুৰুত্বপূৰ্ণ কথা, ইয়াৰ তদন্তত যাতে দুৰ্নীতি সোমাব নোৱাৰে তালৈ লক্ষ্য ৰাখিব লাগিব । ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথটো এটা ষ্ট্ৰেটেজিক ইমপোৰটেণ্ট থকা ৰাস্তা, এই ৰাস্তা বাইহাটা চাৰিআলিৰ পৰা অৰুনাচললৈ গৈছে । গতিকে এই ৰাস্তাৰ দলং নিৰ্ম্মাণৰ কাৰণে যি চিমেণ্ট আনিছে সেই চিমেণ্ট ক'ৰ পৰা আনিছে আৰু তাত কিয় ভেজাল হ'ল ? এই চিমেণ্টৰ দ্বাৰা দলং বান্ধিলে আৰু সেই দলং ভাঙি থাকিলে কাৰ লোকচান হ'লহেতেন ? এটা অঞ্চলৰ লগত যোগাযোগ বিচ্ছিন্ন হৈ গ'লহেতেন । এই দুৰ্নীতিৰ দ্বাৰা অকল মানুহ মৰাই নহয় ইয়াত এটা পশ্চাদবাটী কাৰ্য্যত লিপ্ত হৈ আছে বা ৰাষ্ট্ৰ বিৰোধী শক্তিত জৰিত হৈ আছে । এইটো এটা সাংঘাটিক গুৰুত্বপূৰ্ণ কথা । এইটো এনেই এৰি দিব নোৱাৰি ব্যৱসায়ী সকলৰ মাজত যে বিদেশী এজেণ্ট আছে কুমাৰ নাৰায়নেই জলন্ত প্ৰমাণ । এই ব্যৱসায়ী সকলেও কেনেকৈ দেশখন ধ্বংস কৰিব পাৰি বিপদত পেলাব পাৰি তাৰ চেষ্টা কৰে । তাৰো প্ৰমাণ এই চিমেণ্টত ভেজাল । এই বিষয়ে উত্থাপন কৰোতে অৱশ্যে বিভাগীয় অনুসন্ধান চলি থকা বুলি কৈছে এইটো এটা গতানুগতিক অনুসন্ধান । এই অনুসন্ধানত সন্তুষ্ট নহৈ ভেজাল চিমেণ্টৰ গুৰুত্ব বুজি দৰ্কাৰ হলে চিবিআইক ইয়াৰ অনুসন্ধানৰ দায়ীত্ব দিব লাগে । এতিয়া কথা হ'ল কোন পৰ্য্যায়ত এই ভেজাল হৈছে । অফিচাৰ পৰ্য্যায়ত নে কেৰিয়াৰ বিলাকে ভেজাল কৰিছে চাব লাগিব । বস্তাৰ যিটো চিলাই সেই চিলাই হেলেমত কৰিব নোৱাৰে । কলিকতাৰ গুদামৰ চিমেণ্ট, এতিয়া লুইটৰে বালি হ'ল নে গঙ্গাৰে বালি হ'ল ভালদৰে পৰীক্ষা কৰিব লাগে, বাহিৰ কৰিব লাগে

আশাকৰো এই বিষয়ে গুৰুত্ব সহকাৰে চিন্তা কৰিব। আমাৰ অভিযন্তা সকলে যেতিয়া কোনো এখন দলং নিৰ্ম্মাণ কৰে তেতিয়া বিজ্ঞানক বিসৰ্জন দিব নালাগে। বৈজ্ঞানিকতা বাদ দি ৰাষ্টাঘাট নিৰ্ম্মাণ কৰিব নোৱাৰে এই বিজ্ঞানক বাদ দিয়া কাৰণেই আজি মানুহৰ অপমৃত্যু হব ধৰিছে। এখন দলং তৈয়াৰ কৰিবলৈ হলে দলং খনৰ দুয়োমাঠা ৩০ ফুট পৰ্য্যন্ত ৰাষ্টাটো পোন হব লাগিব। অলপতে বৰপেটা জিল্লা ৰাষ্টাত এখন দলংত দূৰ্ঘটনা হৈ ১৪জন লোকৰ মৃত্যু হৈছে আৰু মৃত্যু হৈছে দলংখন দিফেবটিভ কাৰণে। দলং খনৰ দুয়োমাঠা ৩০ ফুট পোন হব লাগিছিল কিন্তু সেই মতে নাই। এতিয়া আমি দোষ দিছো ড্ৰাইভাৰ হেন্দিমেনক। এই কথা মই নিজেই জানো মই আহোতে সুধিলো এইখন কি দলং তেতিয়াই গম পালো এইখন দলংতে সিদিনা দূৰ্ঘটনা হৈ ১৪জন লোকৰ মৃত্যু হৈছে, দেখিলো দলংৰ মূৰ দুটা চিধা নহয়। দলংৰ মাঠাতোত মাত্ৰ ৫ ফুটমানহে চিধা আছে। তাৰ পিচত কুকাৰজান আহি পালো সেইখন এখন এই ৰাষ্টাৰ দিঘল দলং তাৰ দুয়ো মাঠা ১০ ফুটমানো চিধা নাই। গতিকে বৈজ্ঞানিক পদ্ধতি বাদ দি ৰাষ্টাবাট দলং নিৰ্ম্মাণ কৰি সকলোৰে বিপদ মাতিছে আজি আমি ড্ৰাইভাৰ হেন্দিমেনক দোষ দিলে নহব। গতিকে মই আশা কৰিছো আমাৰ অভিযন্তা সকলে ৰাজনৈতিক হেচা বাদ দি বৈজ্ঞানিক প্ৰণালীৰে যি ৩০ ফুট দলংৰ মাঠা চিধা লাগে সেইটো কৰক। কাৰণ এইযে ৩০ ফুট দলংৰ দুয়োপাৰ চিধা হব লাগে বুলি ইঞ্জিনিয়াৰ সকলে কৈছে তেওঁলোকে এনেই কোৱা নাই তেওঁলোকে বহুদিনৰ পৰা পৰীক্ষা নিৰীক্ষা গবেষণা কৰিহে এইটো ঠিক কৰিছে। আমি জনাত এখন দলং কৰোতে ১ লাখতকৈ বেছি টকা লাগে কাঠৰ দলংত, গতিকে তেওঁলোকে সকলো নৰ্মচ ফলো কৰিব লাগে। এই বিষয়ে বিভাগৰ ফালৰ পৰাও কৰা নিৰ্দ্দেশ থাকিব লাগে যাতে নিৰ্ম্মাণ কাৰ্য্য নৰমচমতে কৰে। নিৰ্ম্মাণৰ ক্ষেত্ৰত দেখিলো এই বিভাগৰ বহুত লেহেমগতি। সকলোৱে কয় এইটো পিদৰিউয়ে কৰা নাই সিটো পিদৰিউয়ে কৰা নাই। বোধ কৰো এই বিভাগটো কিছু অভাৱ বাৰদেনও হৈছে।

শ্ৰীমতী চৈয়দা আনোৱাৰ টাইমুৰ (মন্ত্ৰী) : এইবিলাক আপুনি বিল্ডিং শিতানত কব পাৰিব।

শ্ৰীহেমেন দাস : অকল এই শিতানতে আপুনি ৮৭ কোটি বিচাৰিছে নেকি ?

মাননীয় উপাধ্যক্ষ মহোদয়, কিছুমান ৰাস্তাৰ নামত লাখ লাখ টকা খৰছ কৰা হৈছে। এই টকা বিলাক খৰছ কৰা হৈছে 'এনুৱেল ৰিপেয়াৰিঙ'ৰ নামত। এই বিষয়ে আমাৰ মাননীয় বিধায়ক সকল আৰু মন্ত্ৰী মহোদয় সকলে নজৰ দিব লাগে। মোক এবাৰ এজন চেক্ৰেটেৰীয়েই কৈছিল যে, কোনো এখন গাৱঁত ৰাস্তাত শিল পেলাবৰ কাৰণে ৬০ লাখ টকা দিয়া হৈছিল কিন্তু তাত শিল এটাও নপৰিল। অথচ বিল পাছ হৈ গল। মই নিজেও নলবাৰী আদি ঘূৰি আহিছো তাত 'এনুৱেল ৰিপেয়াৰিঙ'ৰ নামত এটাও শিল পেলোৱা হোৱা নাই। অৱশ্যে সকলোতে একে নহয়। কিছুমাম ঠাইত সংশ্লিষ্ট বিষয়াই খুব 'চিন্‌চিয়াৰলি'য়েই কাম কৰি আছে। 'এনুৱেল ৰিপেয়াৰিঙ'ৰ নামত কিছুমান জেগাত এটা ব্যৱসায় চলি আছে। আগত ৩১ মাৰ্চত বৰভোজ খোৱাৰ দিন আহিছে। এম, এন, পি ৰাস্তাৰ নামত কি হৈছে সেইটো আমাৰ মাননীয় সদস্য সকলোৱেই গম পায়। মই মোৰ নিজা সমষ্টিতে দেখিছো কি কৰিছে 'গ্ৰেভেল' দিয়াৰ নামত। ৰাইজে অভিযোগ তুলিছে যে, থেলাৰে সৈতে শিল দিবলৈ আৰম্ভ কৰিছে। শিল কেইথেলা মানুহে দিলে। তাৰ পিছত দেখা গল যে, বিল ইতিমধ্যে পাছ হৈয়েই গৈছে। 'চিফ্‌ ইঞ্জিনিয়াৰ'ৰ অফিচত এই বিষয়ে কেচ কৰি আছে। এচ, ডি, অ মোৰ তাত গল। পাপ কৰিছে যেতিয়া শাস্তি পাবই লাগিব। কিন্তু শাস্তি কি হল জানে বদলি কৰিলে। অকল বদলিয়েই এনেকুৱা কামৰ কাৰণে শাস্তি হব নোৱাৰিলে। ৰাস্তাত শিল নিদিয়াকৈয়েই বিভাগে ওপৰে ওপৰে টকা মাৰে। এম, এন, পি'ৰ বহুৰাস্তাত এতিয়াও শিল পৰি আছে। অসমৰ প্ৰত্যেকটো ব্লক আৰু প্ৰত্যেকটো সমষ্টিতে শিল পেলাবৰ কাৰণে এম, এন, পি স্কীমত ৫ লাখ ৩ হেজাৰ টকা দিয়া হৈছে। কিন্তু কাগজে পত্ৰে সকলো ঠিকেই আছে। ৰাস্তাত শিল পৰা নাই। চাৰ, চৰঅঞ্চলতটো একেবাৰেই পৰা নাই। গাৱঁৰ ৰাইজে বহুত বিলাক

অভিযোগ দিয়ে। সেই বিলাক ধৰো। এইবাৰ এজন নতুন লৰাই ঠিকা পাইছে। তেওঁ পাছ টাক শিল দিব লাগে কিন্তু দিছে ২ ট্ৰাক। কিন্তু এই দুই ট্ৰাকতে পাছ ট্ৰাকৰ বিল পাছ। এই বিলাক যাতে হব নোৱাৰে, কাম কৰাৰ দৃষ্টিভঙ্গী থাকিব লাগিব। এই বিষয়ে চৰকাৰৰ ফালৰ পৰা নজৰ দিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ কংগ্ৰেছ চৰকাৰে লেৱা এম. এন. পি আঁচনি যি আঁচনি মতে গাৱঁৰ শ্ৰমিকে কাম পাব লাগে। যি ৰেটত ঠিকাদাৰক দিয়া হৈছে সেই একেটা ৰেটতে মজদুৰেও পাব লাগে। এম, এন, পিৰ ৰাস্তাসমূহ কিছুমান 'বগাছ শ্ৰমিক বাহিনী' সৃষ্টি কৰি সেই সকলক দিছে। 'কোটেশ্বন কল' নকৰাকৈয়ে এটা ৰেটত দি দিছে। বৰপেটা জিলাৰ 'একজি কিউটিভ ইঞ্জিনিয়াৰে' কিন্তু এটা কাম কৰিছে। প্ৰত্যেক ঠিকাদাৰকে বেছি কাম নিদি প্ৰতি জনকে তিনি হাজাৰ চাৰি হাজাৰ টকাৰ কাম দিছে। বেছি কাকো নিদিয়ে।

শ্ৰীমতী আনোৱাৰা টাইমুৰ (মন্ত্ৰী): মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে কিজানি লিখি দিয়ে ?

শ্ৰীহেমেন দাস: মাননীয় অধ্যক্ষ মহোদয়, লিখি দিয়া নহয়। অন্ততঃ মই নিদিও। মই ঠিকাদাৰৰ এম, এল, এ নহয়। ঠিকাদাৰে মোক পতা নাই আৰু ঠিকাদাৰে মোক ভাঙিবও নোৱাৰে। অৱশ্যে সমষ্টিৰ বিধায়ক হিচাবে সমাজৰ সকলো শ্ৰেণীৰ লোকৰে স্বাৰ্থ ৰক্ষা কৰিব লাগিব। মোৰ সমষ্টিত বাহিৰৰ ঠিকাদাৰ দিলেও তেওঁলোকক খেদিবলৈ যোৱা নাই। প্ৰাপ্ত অভিযোগ মতে কিছুমান ঠিকাদাৰক কাম দিয়ে কিন্তু পইছা নিদিয়ে। এই ধৰণৰ কেইজনমান লৰা আমাৰ ওচৰলৈ আহিছে দেৰ দুই বছৰ পইছা পেমেন্ট কৰা নাই। এই পৰিপ্ৰেক্ষিততে মই আমাৰ চৰকাৰক অনুৰোধ কৰিছো যে, হাতত পইছা নেথাকিলে যেন কাম 'এলট' নকৰে। ডাঙৰ ঠিকাদাৰ নমৰে, মৰে সৰু ঠিকাদাৰহে। সৰু এজন ঠিকাদাৰ দেৰ-দুইবছৰ বহি থাকিব লগীয়া হলে লোকচান হোৱাটো স্বাভাবিক।

মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ সমস্যা গোটেই ভাৰতবৰ্ষৰ সমস্যাৰ

লগতে এক নহয়। অসম চৰকাৰে ভাৰত চৰকাৰলৈ এই মৰ্ম্মে যোগাযোগ কৰিব লাগে যে, অসমক ৰাস্তাঘাটৰ কাৰণে যি অনুদান দিয়া হয় সেই অনুদান যাতে আন আন ৰাজ্যক দিয়া অনুদানতকৈ দুই, তিনিগুণ হয়। আমাৰ অসমৰ একোটা ৰাস্তাৰ এক কিলোমিটাৰ বান্ধিবৰ কাৰণে যিমান টকা খৰছ পৰে, বিহাৰত তাত চাৰি ভাগৰ এভাগেই নপৰে। বাস্তৱ কথাখিনি আমি তেখেত সকলক বুজাব পাৰিব লাগিব। আমাৰ যিটো 'নেচনেল হাইওৱে' এইটো কেৱল অসমৰেই নহয়, গোটেই উত্তৰ-পূৰ্ব্বাঞ্চলৰে। তাৰ কাৰণে বিশেষ গুৰুত্ব দিবলগীয়া হৈছে।

माননীয় উপাধ্যক্ষ মহোদয়, মজুৰী দিয়া লৈ ঠিকাদাৰ আৰু শ্ৰমিকে সৰভোগত ৭ দিন ধৰ্মঘট কৰিবলৈ বাধ্য হল। চৰকাৰৰ অনুমোদিত মজুৰি ঠিকাদাৰে দিবলৈ বাধ্য। আগতে বিহাৰ আদি প্ৰদেশৰ পৰা অহা মানুহে মাটি কাটিছিল কিন্তু দৰিদ্ৰ, পদদলিত আৰু নিষ্পেষিত হৈ আজি অসমীয়া মহিলাও আমাৰ চকুৰ আগতে মাটি কাটিবলৈ ওলাই আহিছে। তেওঁলোকক মজুৰী দিয়াৰ ব্যৱস্থা কিয় নকৰে? এইটো নকৰাৰ কাৰণেই আন্দোলন কৰিবলগীয়া হল আৰু ফলত এই বিষয়ে লেবাৰ মিনিষ্টাৰৰ লগত যোগাযোগ কৰাত মহিলা শ্ৰমিক সকলেও মজুৰী পালে। তাৰ কাৰণে মই আমাৰ মাননীয় লেবাৰ মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো।

মাননীয় উপাধ্যক্ষ মহোদয়, মই আশা কৰো আপোনালোকে এই কাম খিনি কৰিব। এই খিনিকে কৈ মই মোৰ বক্তব্য সামৰিলো।

*শ্ৰীবৰকট উল্লা :— মাননীয় উপাধ্যক্ষ মহোদয়, ৰাস্তাঘাট দলঙৰ মজুৰীৰ বাবে এই শিতানত যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে সেইটোৰ বিৰোধীতা কৰি মই জুআষাৰমান কবলৈ ওলাইছো। এই গড়কাপ্তানী বিভাগক যথেষ্ট ধৰণে সমালোচনা কৰা হৈছে। এই ক্ষেত্ৰত মই এটা কথা দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে বৃটিচৰ দিনত অসমৰ ৰাস্তাঘাটৰ অৱস্থা কি আছিল আৰু এতিয়া বৰ্ত্তমান কি পৰ্য্যায়ত উন্নতি হৈছে এই কথাটো বিশেষ ভাৱে লক্ষ্য কৰিব লগীয়া হৈছে। সঁচাকৈয়ে কব লাগিব যে এই ক্ষেত্ৰত

*Speech not correctd

যথেষ্ট খিনি আগবাঢ়িব পাৰিছে আৰু ৰাস্তাঘাট দলং আদি উন্নত কৰাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা বহু চেষ্টা কৰা হলে হয়তো এই বিলাক কাম সম্পূৰ্ণ হলহেতেন । এই ক্ষেত্ৰত যিমান খিনি ৰাস্তাঘাট আৰু দলং আদিৰ প্ৰয়োজন সেই অনুপাতে টকাবো দৰকাৰ হয় । সেই টকা অনুযায়ী আঁচনি বোৰ কৰা হয় আৰু পৰ্য্যায়ক্ৰমে অসমৰ ৰাস্তাঘাট দলং আদি উন্নত হৈ আহিছে । এইটো ঠিক যে যিখিনি টকা বাজেটত ধৰা হয় সেই খিনি টকা যদি আমি জনসেৱাৰ উদ্দেশ্যে খটুৱাবৰ ক্ষেত্ৰত আমাৰ বিষয়া সকলে কাম কৰিবলৈ চেষ্টা কৰে তেতিয়াহলে সোনকালে এই কাম বিলাক সমাধান হব । অৱশ্যে এই ক্ষেত্ৰত কিছুমান টকা কোনো কোনো ঠাইত যে অপচয় হোৱা নাই সেইটো নহয় । মই আশা ৰাখিছো আৰু অনুৰোধ জনাইছো যেন এই বিভাগত থকা দায়িত্বশীল বিষয়া সকলে তথা গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়াই বাজেটত ধৰা টকা সমূহ ঠিক মতে খৰচ হয় নে নহয় সেইটো যাতে ব্যক্তিগত ভাৱে হলেও নজৰ দিয়ে । এই খিনিতে মই দুটা কথা সদনৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো । কাগজে পত্ৰে আৰু ৰাইজৰ মাজতো শুনা যায় বহু কথা যে ৰাস্তা নিৰ্ম্মাণৰ ক্ষেত্ৰত দুৰ্নীতি আদিৰ পৰা মুক্ত নহয় । সেই বিলাক কথা চৰকাৰে চাব লাগে । এতিয়া ছয় হাজাৰ চিমেণ্ট আহিছে । সেই বিলাক মন্ত্ৰী মহোদয়াই চাব লাগে । বিলাক কথা চি-বি-আইৰ দ্বাৰা তদন্ত কৰিব লাগে । যদি সঁচাকৈয়ে বেয়া কৰিছে সেই বিলাক বিষয়াৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লব লাগে । আচলতে চাব লাগে চাকৰি কৰাৰ সময়ত সেই বিষয়া সকলৰ কিমান সা-সম্পত্তি আছিল । অসম টাইপ ঘৰ আছিল আৰু চাৰি বছৰৰ পিচত সেই অফিচাৰে কেনেকৈ কিমান সম্পত্তি কৰিব পাৰে তাৰ হিচাব লব লাগে । অসম চিভিল চাৰ্ভিচ ৰুল মতে সেই সকলৰ পৰা এটা ডিক্লাৰেশ্বন লব লাগে । মই গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়াক অনুৰোধ জনাইছো যেন এই বিলাক নজৰ ৰাখে। আমাৰ চৰকাৰৰ যি বিলাক নীতি আছে সেই বিলাক যাতে কাৰ্য্যকৰী কৰিব

*Speech not currected

পৰা হয় তাৰ কাৰণে চেষ্টা কৰিব লাগে । দিশপুৰৰ মেগাজিন ডিভিজনৰ যিটো ষ্টোৰ বিভাগ আছে তাত কাম কৰা তৃতীয় শ্ৰেণীৰ অভাৰচিয়াৰ এজনে গণেশগুৰিত পাচ মহলীয়া বিল্ডিং বনাইছে । তেওঁৰ চাকৰি কৰাৰ আগৰ অৱস্থাত কি সম্পত্তি আছিল সংক্ষেপে কিমান আছিল আৰু অন্যান্য সা-সম্পত্তি কিমান আছিল এই বিলাকৰ এটা হিচাব ৰাখিব লাগে । তেওঁ ফাৰ্ষ্ট ক্লাচ গাড়ীত ঘুৰি ফুৰে । ইয়াৰ পৰা জনসাধাৰণৰ মনত যি ধাৰণা সোমাইছে সেই বিলাকলৈ লক্ষ্য ৰাখি এই ধৰণৰ কাম বিলাক বাধা দিয়াৰ কাৰণে মই বিভাগীয় মন্ত্ৰী মহোদয়াক অনুৰোধ জনালো । ১৯৭৬ চনত এই বিষয়া জনৰ বিৰুদ্ধে এটা ভিজিলেন্স চেলত কেচ উঠিছিল আৰু সেইটো তদন্ত হৈ আছে । কিন্তু ৰাজনৈতিক ইন্টাৰফেৰেন্সৰ কাৰণে বিভাগৰ পৰা কোনো একচন লব পৰা নাই । এই বিলাক যদি হয় তেনেহলে গণতন্ত্ৰৰ কাৰণে দুৰ্ভাগ্যৰ কথা ।

এই খিনিতে মই কওঁ তৃতীয় শ্ৰেণীৰ বিষয়া জনে কোনো দিনেই অফিচ নকৰে । তেখেত ইমান পাৱাৰফুল যে, অভিযন্তা, এচ ডি ও, আনকি সচিব, আয়ুক্ত কাকোৱেই ভয় নকৰে । এই তৃতীয় শ্ৰেণীৰ ব্যক্তি জনে এই ক্ষমতা কত পালে ? এবজুকেটিভ ইঞ্জিনিয়াৰ জনেই বা তেওঁক কিয় দমন কৰিব নোৱাৰে ? আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়াই বহুতো কাম কৰিছে, তেখেতে আৰু বেচি ভাল কাম কৰিব পাৰিব । মই মন্ত্ৰী মহোদয়াক এই বিষয়ে এটা ভাল তদন্ত কৰিবলৈ অনুৰোধ কৰিলো । এই তৃতীয় শ্ৰেণীৰ ব্যক্তি জনে নিজে ঘৰ-দুৱাৰ মাটি-বাৰী কৰাৰ ওপৰিও মাদ্ৰাছা স্কুলত টকা দিবলৈ ক'ত পালে ? বিহদিয়া বুলি এখন গাওঁত অলপতে তেওঁ ৫লাখ টকা খৰছ কৰি মজজিদ এটা বনাবলৈ আৰম্ভ কৰিছে । উপাধ্যক্ষ মহোদয়, আপুনি চাওক এই তৃতীয় শ্ৰেণীৰ অভাৰচিয়াৰ জনে ইমান টকা ক'ত পালে ? যোৱা ২৪ তাৰিখে খগনি কুচিত এখন মিটিং আহ্বান কৰা হৈছিল । তাত অতিথি আছিল, ৰাজ্যিক গড়কাপ্তানী বিভাগৰ মন্ত্ৰী, স্বাস্থ্যমন্ত্ৰী শ্ৰীভৃমিধৰ বৰ্মন, ৰাজ্যিক উদ্যোগমন্ত্ৰী শ্ৰীজীৱ গগৈ, ৰাজ্যিক শিক্ষা মন্ত্ৰী লুইচ ইছলাৰী আৰু ৰাজ্যিক গৃহবিভাগৰ মন্ত্ৰী অবদুল মুক্তাদিৰ চৌধুৰী ।

*Speech not corrected

তেওঁলোকৰ লগতে আমন্ত্ৰিত আছিলো বিধায়ক মই নিজে আৰু আবহুচ চোভান। আমি এম, এল, এ মন্ত্ৰী সকলে মিটিং কৰিম আৰু সভাপতিত্ব কৰিব এজন তৃতীয় শ্ৰেণীৰ অভাৰচিয়াৰে। মোক আচলতে মিটিঙলৈ মতাই নাই। মন্ত্ৰী মহোদয় সকলক এনেকুৱা এখন মিটিং পাতি নিমন্ত্ৰণ কৰি আৰু সেই সভাত নিজে সভাপতিত্ব কৰি গৰীব জনসাধাৰণক এইটোকেই পতিয়মান কৰিব বিছাৰিছে যে তেওঁৰ চৰকাৰৰ লগত এটা ঘনিষ্ঠ সম্পৰ্ক আছে। এনেকুৱা কাম নাই যিটো মন্ত্ৰীক কলে তেওঁ কৰিব নোৱাৰিব। ৰাইজৰ মাজত এনেদৰে বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। মোৰ সিদিনা দমদমা হায়াৰচেকেণ্ডৰীত এখন মিটিং আছিল। মই দমদমা পোৱাৰ লগে লগে অচিয়ে কলে "চাৰ আপুনি খুটনিকুচিৰ মিটিংলৈ নাযায় নেকি? মন্ত্ৰী সকল যাব বুলি এচপি, এচডিপিওই হাবাথুৰি খাইছে। পিচত দেখা গল মিটিং নহল। এনেকৈ মিটিং মতাৰ উদ্দেশ্য আছিল, ৰাইজে বুজক যে তেওঁৰ মন্ত্ৰীৰ লগত ঘনিষ্ঠতা আছে আৰু তেওঁক ভাল পায়। আন মানুহে কৰি দিব নোৱাৰা কামটো তেওঁ কৰি দিব পাৰে। সেই বিলাককে দেখুৱাই তেওঁ টকা পইচা সংগ্ৰহ কৰে। এম, এল, মন্ত্ৰীয়ে মিটিং কৰি ৰাইজৰ অভাব অভিযোগৰ প্ৰত্যাহবান কৰে। আৰু এই জন মানুহে মিটিং কৰি ৰাইজৰ পৰা দৰ্খাস্ত কালেক্ট কৰি লৈ মন্ত্ৰীৰ পৰা এটা লিখি আনিছে আৰু তেনেকৈয়ে টকা সংগ্ৰহ কৰিছে। টকা সংগ্ৰহ কৰি তুইটলা বান্ধিব ধৰিছে। এই দৰে ৰাইজক বিভ্ৰান্ত কৰিছে।

এইটো কথা ঠিক বৃটচৰ দিনৰ পৰা এতিয়ালৈকে অসমত যিমান ৰাস্তা ঘাট হৈছে, তাৰ বাবে গড়কাপ্তানী বিভাগক প্ৰসংসা কৰিব লাগিব। মই এইটো কথা কব বিছাৰিছো, আমি ভাৰতৰ নাগৰিক, আমি স্বাধীন দেশৰ নাগৰিক, ৰাষ্টাৰ খাতিৰত যদি এই বিষয়া সকলে আৰু অলপ মনোযোগ দি কাম কৰে তেনেহলে দেশৰ নিশ্চয় উন্নতি হব। মই মন্ত্ৰী মহোদয়ক এটা কথা আগবঢ়াব বিছাৰিছো যে এম, এল, এ সকলক এম, এন, পিৰ পৰা টকা দিয়া ব্যৱস্থা আছে। ইয়াৰ ওপৰি ইমাৰজেনচি আৰু

*Speech not currected

নিউ হেডৰ পৰা টকা দিয়ে। এই টকা বিলাক যাতে সমানে বিতৰণ হব লাগে। আমাৰ সকলো বিলাক ঠাইতে প্ৰায় ৰাস্তা ঘাট বেয়া। গতিকে এইসকলো বিলাকলৈ চাই সমানেবিতৰণ কৰিবলৈ অনুৰোধ কৰিলো। আৰু এই পথটোত বোধ হয় ৩ টা সমষ্টিৰ গাড়ী চলে, ৰঙ্গিয়া, কমলপুৰ আৰু হাজো আৰু তাৰোপৰি নলবাৰীৰ গাড়ী ডিমোলৈ আছে। এইটো এটা বিৰাট দৰকাৰী ৰাস্তা। ৰঙ্গিয়া চাৰ ডিভিজন হোৱাৰ পাচতো এই ৰাস্তাতো নহ'ল। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে অহা বছৰ এই ৰাস্তাতো ব্লেক টপিংৰ কাৰণে লয় আৰু ললে ৰাইজৰ উপকাৰ হব। উপাধ্যক্ষ মহোদয়, আপুনি জানে যে যোৱা বান পানীয়ে বৰপেটা, দৌলাশাল, হাজো, গুৱাহাটী ৰাস্তাটোৰ কিছু ঠাই খহাই নিছে। যিটো ৰাস্তাৰ পৰা চৰকাৰৰ আয় হৈ আছে সেই ৰাস্তাতো ৰিপেয়াৰিং কৰাৰ কাৰণে কোনো ব্যৱস্থা লোৱা নাই। কেন্দুকোনা ৰেলওৱে ক্ৰচিং ৰোডটোত বহুতো বিপদ হৈছে। এই বিষয়ে তেখেতে জানে আৰু মই তেখেতক লগও ধৰিছিলো আৰু তেওঁ এখন টেলিগ্ৰামো দিছিল। এইটো ইমান ওখ হৈছে যে দুয়োফালৰ পৰা গাড়ী আহিলে দেখা নাযায় আৰু প্ৰত্যেক মূহূৰ্ত্ততে বিপদ বা দুৰ্ঘটনা হোৱাৰ সম্ভাৱনা আছে। এইটো সম্পৰ্কে তেখেতে বিভাগীয় বিষয়া সকলক নিৰ্দ্দেশ দিলে ভাল হয়, কাৰণ যি কোনো সময়ত একচিডেণ্ট হোৱাৰ সম্ভাৱনা আছে। গতিকে মই আৰু বেছি সময় নলও এইখিনিকে কৈ কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীপূৰ্ণ বড়ো : উপাধ্যক্ষ মহোদয়, ৰাস্তা আৰু দলঙৰ শিতানত অনা কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই দুই এটা কথা কব খুজিছো। এতিয়ালৈকে আমাৰ ৰাজ্যত গড়কাপ্তানী বিভাগৰ যিবিলাক পথ আছে সেই পথ সমূহৰ বেচিভাগ গ্ৰেভেল ৰোড আৰু এনেকুৱাও পি, ডব্লিউ ডি ৰ ৰাস্তা আছে যত এটাও শিল নাই। ৰাস্তা সমূহৰ উন্নয়নৰ ক্ষেত্ৰত এটা কথা পৰিলক্ষিত হৈছে যে আজি বছৰ বছৰ ধৰি যি ৰাস্তা বাৰিষা কালত পানীৰ তলত থাকে তেনে ৰাস্তা আজিলৈকে গড়কাপ্তানী বিভাগে যাতে তল যাব নোৱাৰে

তেনে ব্যৱস্থা কৰা নাই। ১৯৮২-৮৩ চনৰ হিচাব মতে ১৮ হাজাৰ ৮শ ২৩ কিলোমিটাৰ ৰাস্তা এতিয়াও কেচা হৈ আছে আৰু কেৱল কেচা ৰাস্তাই নহয় আনকি ৰাষ্ট্ৰিয় ঘাই পথৰও বহু অংশ পানীৰ তলত থকা দেখা যায়। সেইবোৰ কৰাৰ প্ৰয়োজন হৈ পৰিছে। সদ্যহতে এটা কথা দেখা গৈছে আমাৰ যিবিলাক গ্ৰেভেল ৰোড আছে তাৰে কাঠৰ দলং সমূহ আতৰাই হিউম পাইপ দিয়াৰ কাম চলি আছে। কাঠৰ দলং বিলাকৰ পৰিবৰ্ত্তে এই হিউম পাইপ বিলাক দিয়াৰ ফলত এই দলং সমূহৰ উচ্চতা বহুত পৰিমাণে কমি গৈছে। বাৰিষা কালত এই দলংৰ তলেদি সমগ্ৰ পথাৰলৈ পানী পাৰ হৈ যায় কিন্তু কাঠৰ দলংৰ পৰিবৰ্ত্তে হিউম পাইপ বহুওৱাত আগৰ দৰে সমষ্ট পানী পাৰ হ'ব নোৱাৰাৰ ফলত বাৰিষা কালত ডুব যোৱাৰ সম্ভাৱনা আছে। অবশ্যে যদি আৰ, চি, চি, ব্ৰীজ নিৰ্ম্মাণ কৰিলেহেতেন তেতিয়া আমাৰ কবলগা একো নাছিল। কিন্তু তাকে নকৰি যেতিয়া হিউম পাইপ দিয়াৰ ব্যৱস্থা কৰিছে তাৰ যোগেদি আকৌ বাৰিষা সময়ত এই বিপদটো বেচি বঢ়াৰ সম্ভাৱনাই দেখা দিছে। মোৰ সমষ্টিত এনেকুৱা কিছুমান পি, ডব্লিউ, ডি ৰাস্তা আছে যি ফালেদি সদায় গাড়ী অহা যোৱা কৰিব লগা হয়। সেইবোৰ হ'ল ৰঙিয়া ধমধমা পি, ডব্লিউ, ডি ৰাস্তা, তামোলপুৰ, গোৰেশ্বৰ ৰাস্তা। এই ৰাস্তা বিলাকত এখন বা দুখন দলংৰ অভাৱত গাড়ী চলাব নোৱাৰা অৱস্থা হয়। এই ৰাস্তা বোৰত কাম কৰাৰ কাৰণে গড়কাপ্তানী বিভাগত শ্ৰমিক সকল আছে আৰু এই শ্ৰমিক সকলে কাম নকৰাকৈ এনেয়ে বহি নাথাকে। তেনেস্থলত এই ৰাস্তা বিলাক জৰাজীৰ্ণ হৈ থকাত আচৰিত হৈছো। গড় কাপ্তানী বিভাগৰ যিসকল শ্ৰমিকে কাম কৰি আছে সেই সকলৰ ক্ষেত্ৰত কিছু কথা আমাৰ কবলগীয়া আছে। আমি আগৰ পৰাই দাবী জনাই আছিলো যি সকল শ্ৰমিকে ৫ বছৰ কাম সম্পূৰ্ণ কৰিছে তেওঁলোকক চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী হিচাবে স্থায়ীকৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। অৱশ্যে ১৫ বছৰ কাম কৰা সকলক স্থায়ীকৰণ কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছিল। কিন্তু আমি অভিযোগ পাইছো যে এতিয়াও ৰাস্তাৰ শ্ৰমিক হিচাবে ১৫ বছৰতকৈও অধিক কাল যিসকলে কাম কৰি আছিছে সেই

সকলৰ কিছুমানৰ নিয়মিতকৰণৰ ব্যৱস্থা হৈ উঠা নাই। কোকৰাঝাৰৰ ১২ জন শ্ৰমিকক গড়কাপ্তানী বিভাগে ১৫ বছৰৰো অধিক কাল কাম কৰাৰ পাচতো স্থায়ীকৰণ কৰাৰ ব্যৱস্থা কৰা নাই। ঠিক সেইদৰে চেকচন অফিচাৰে কিছুমানে শ্ৰমিকৰ মজুৰি কটাৰ ব্যৱস্থা কৰিছে। অভিযোগ পোৱা-হৈছে সেই চেক্চন অফিচাৰ জনে হেনো কিছুমান শ্ৰমিকক এব-চেণ্ট দিয়া দেখুৱাই মজুৰি কাটিছে। ১৯৮৪ চনৰ জুন আৰু জুলাই মাহত ৪ জন শ্ৰমিকক এবচেণ্ট দেখুৱাইছে। সেই কেইজন হ'ল বিনোদ ব্ৰহ্ম, লালমোহন, ভেদাৰাম ৰায় আৰু লক্ষীৰাম ব্ৰহ্ম এই সকলে কাম কৰি থকা স্বত্তেও দৰমহা কটাৰ ব্যৱস্থা কৰিছে। এই শ্ৰমিক সকলে এচ. ডি. ও আৰু একজিকিউটিভ ইঞ্জিনিয়াৰৰ ওচৰত আপত্তি কৰি আবেদন জনাইছে। কিন্তু আজি পৰ্য্যন্ত তেওঁলোকৰ দৰমহা খিনি ঘূৰাই দিয়াৰ ব্যৱস্থা কৰা নাই। অভিযোগ পোৱা মতে এই শ্ৰমিক সকলক গড় কাপ্তানী বিভাগৰ এচ, ও ই বাষ্টাত কাম কৰোৱাতকৈ নিজৰ ঘৰত খটুৱায়। এই বিষয়ে আপত্তি দৰ্শাই গড় কাপ্তানী বিভাগৰ মন্ত্ৰী আৰু মুখ্য অভিযন্তাৰ ওচৰলৈ আবেদম জনা-ইছে। আমাৰ হাততো তাৰ কপি আছে। ঠিক সেইদৰে এজন শ্ৰমিক কেপ্তেইন বড়ো তেখেতে কামত এদিন অনুপস্থিত আছিল আৰু অনুপস্থিত থকাৰ কাৰণে তেখেতৰ পৰা ১২৩ টকা কাটিছে। অনুপস্থিত থাকিলে কাটিব পাৰে। কিন্তু সেইবুলি ১২৩ টকা কেনেকৈ কাটিব পাৰে। এনে ধৰণৰ কথা গড়কাপ্তানী বিভাগত চলি আছে। ৰাস্তাত শ্ৰমিক সকলে ৰদে, ৰতাহে, বৰষুণে অতি কষ্ট কৰি কাম কৰে কিন্তু তেওঁলোকৰ পাচ বছৰ চাকৰি কৰাৰ পাচতো স্থায়ীকৰণ কৰা হোৱা নাই। তাত কাম কৰি থকা অৱস্থাতেই যদি এজন শ্ৰমিকৰ মৃত্যু হয় তেতিয়া তেওঁৰ পৰিয়ালৰ কোনোবা এজনক চাকৰি দিয়াৰ যি ব্যৱস্থা হৰ লাগিছিল সেইটো কৰা হোৱা নাই। গতিকে আজি এই শ্ৰমিক সকলৰ ক্ষেত্ৰত যিবিলাক অভিযোগ উত্থাপিত হৈছে সেইবিলাকৰ সঠিক ব্যৱস্থা কৰিব পৰা হয় তাৰ কাৰণে অনুৰোধ জনালো। ইতিমধ্যে দেখা গৈছে বৃটিচৰ যুগৰেই যিবিলাক দলং সেইবিলাক একে অৱস্থাতেই আছে আৰু যিকোনো মূহুৰ্ত্তে সেইবিলাক একচিডেণ্ট হোৱাৰ সম্ভাৱনা আছে। এই দলং বিলাক কেতিয়াবাই ৰিপ্লেচ

কৰিব লগা হৈছিল। কিন্তু নকৰাৰ কাৰণে তাত গাড়ী চলাচল কৰিব পৰা নাই। গতিকে আৰ, চি, চি ব্ৰিজ দি পাৰ্মেনেণ্ট কৰাতো প্ৰয়োজন হৈ পৰিছে। চিমেণ্ট নাই বুলি আৰ, চি, চি ব্ৰীজ নকৰাই কাঠৰ দলং বনাই পুনৰ বেয়া হলে ভাল কৰাৰ ব্যৱস্থাটো হল ঠিকাদাৰক লাভবান কৰাৰ এটা সুযোগ। যি হিউম পাইপৰ ব্যৱস্থা কৰা হৈছে তাৰ দ্বাৰা কোনো কোনো অঞ্চলত ৰাস্তাৰ উচ্চতাতো কমি আহিব আৰু বাৰিষা পানীৰে ভৰি পৰিব। ফলত ৰাৰিষা পাৰ হোৱাতো অসুবিধা হব। ৰাইজৰ কোনো উপকাৰ সাধন কৰা নহব। তাৰ পাচত গ্ৰেভেল ৰোডৰ পৰিপ্ৰেক্ষিতত মই কব বিচাৰিছো আমাৰ কোনো সমষ্টিত দুই কিলোমিটাৰো ৰাস্তাত ব্লেকটপিংৰ ব্যৱস্থা হোৱা নাই। চৰকাৰে কয় টকাৰ অভাৱৰ কাৰণে এইবিলাক কৰিব পৰা নাই। ব্লেকটপিং ব্যৱস্থা কৰাৰ প্ৰয়োজন আছিল। লগতে ৰাস্তাবিলাক বহল কৰিব লাগিছিল আৰু সম্পূৰ্ণ কৰিব লাগিছিল। গোটেই কেইখন জিলাতেই ৰাষ্ট্ৰীয় ঘাই পথ নাই গতিকে কিছুমান ৰাস্তা ৰাষ্ট্ৰীয়কৰণ কৰা প্ৰয়োজন। ৪ হাজাৰ ৪ শ ৩৯ কিলোমিটাৰ ব্লেকটপিং কৰাৰ প্ৰভিজন আছিল। ১৮ শ ৮ কিলোমিটাৰ আনচাৰফেচ ৰোড আছে। বিশেষকৈ যি যি ঠাইত শিক্ষা অনুষ্ঠান, চিকিৎসালয়, বজাৰ হোৱা ঠাইৰ কাষেদি যোৱা ৰাস্তা বিলাকত দিন ৰাতি গাড়ী চলাচল কৰে, সেই ৰাস্তা বিলাকৰ অৱস্থা বেয়া হোৱা কাৰণে তাত ধূলি ভৰে আৰু ই স্বাস্থ্যৰ কাৰণে ক্ষতিকাৰক হৈছে। গতিকে এইবিলাক ঠাইত অন্ততঃ কিছুদূৰ অগ্ৰাধিকাৰৰ ভিত্তিত ব্লেকটপিং কৰিব লাগে। গোটেইখিনি ৰাস্তা কৰিব নোৱাৰিব পাৰে কিন্তু অলপ অলপ কৈ কৰিব পাৰি। হাজো ৰঙিয়া ৰাস্তাটো ইমান পুৰনি যে ইয়াৰ নেচনেল হাইওৱেৰ পোৰচন বাদ দি বাকী খিনিৰ অৱস্থা অতি শোচনীয় হৈ পৰিছে। তাৰোপৰি কনিহা দমদমা গাওঁৰ ৰাস্তাৰ কাষত চিকিৎসালয় আছে, হাইস্কুল আছে, এইবিলাকৰ কাষত বজাৰো আছে। গতিকে তাত ধূলি বালিৰ পৰা ৰক্ষা পাবৰ কাৰণে ব্লেকটপিংৰ ব্যবস্থা কৰিব লাগে। যিবিলাক এম, এন, পি ৰোড আছেঁ সেইবিলাকত গ্ৰেভেল দিয়া নাই। আমাৰ পৰা এই ৰাস্তা বিলাকত গ্ৰেভেল দিয়াৰ কাৰণে প্ৰস্তাব লয় আৰু লিষ্ট বিচাৰে। কিন্তু সেইবিলাক দিয়াৰ পাচতো

তাৰ কোনো তত্বাবধান লোৱা নহয়, ফলত গ্ৰেভেলৰ কোনো ব্যৱস্থা হোৱা নাই। গতিকে চৰকাৰৰ গড়কাপ্তানী বিভাগে ৰাষ্টা নিৰ্ম্মাণ কৰাৰ ক্ষেত্ৰত এই কথাবোৰৰ প্ৰতি দৃষ্টি দিব লাগে যাতে এই ৰাষ্টা বিলাকৰ অৱস্থা অলপ উন্নত হয় আৰু ইয়াৰ দ্বাৰা জনসাধাৰণ উপকৃত হয়। এইখিনিকে কৈ মই মোৰ বক্তব্য শেষ কৰিছো।

Mr. Dy. Speaker – Now, it is 12/30 p.m. The House stands adjourned till 2/30 p.m.

After Lunch

(The House re-assembled with Mr. Deputy Speaker in the Chair)

Shri Binoy Kumar Basumatari—Sir, a point of order under Rule 27. We have only 9 members in the Opposition whereas there are 101 members in the Treasury Benches. We have wasted 11 minutes of the House. It is the responsibility of the Treasury Benches to maintain quorum in the House. If they cannot, it is better they should go.

Mr. Deputy Speaker – There is no point of order. Shri Boro will speak.

শ্ৰীঅলিত বড়ো : মাননীয় উপাধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ বাবে যি ৮৭,২৪,৫৭,০০০ টকা বিচাৰিছে তাৰ বিৰোধিতা কৰি এই কৰ্ত্তন প্ৰস্তাব আনিছো। এই সম্পৰ্কত মই দুটামান কথা কবলৈ বিচাৰিছো। উপাধ্যক্ষ মহোদয়, স্বাধীনতা পোৱাৰ পিচত আমাৰ অসম চৰকাৰে কোটি কোটি টকাৰ বাজেট ধৰি বছৰে বছৰে টকা দিয়া আমি দেখি আহিছো। ৰাস্তা বন্ধা আমি দেখি আহিছো, কিন্তু উল্লেখ নকৰি নোৱাৰো যে সেই ৰাস্তা বিলাকত মটৰ গাড়ী যোৱা দূৰৰ কথা চাইকেল যোৱা দূৰৰ কথা আনকি মানুহো যাব নোৱাৰে। বা যাব পৰা সম্ভৱ হোৱা নাই। এই ক্ষেত্ৰত

কব পাৰি 'আছে গৰু নাবাই হাল, সেই গৰু নোহোৱাই ভাল" আজি আমি এইবিলাক মন্ত্ৰ আওৰাই থাকিবলগা হৈছো । আজি টকা খৰচ কৰি যিবিলাক ৰাস্তা বন্ধা হয়, সেইবিলাক ৰাস্তাত যোগাযোগ বিচিন্ন হৈ পৰিছে। সেইকাৰণে আজি গাৱলীয়া ৰাইজে গাৱঁৰ মাজত থকা গড়কাপ্তানী বিভাগৰ যিবিলাক ৰাস্তাৰ ওপৰেদি মানুহৰ যোগাযোগ বিচিন্ন হৈ পৰিছে । গতিকে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব খোজো যে, যিবিলাক ৰাস্তা বান্ধে সেইবিলাক সম্পূৰ্ণ কৰিব লাগে । আৰু তাৰ বাবে চৰকাৰৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে । আজি আমি বহুতো ক্ষেত্ৰত দুৰ্নীতি দেখিছো । ৰাস্তা নিৰ্ম্মাণৰ ক্ষেত্ৰত, দলং নিৰ্ম্মাণৰ ক্ষেত্ৰত শতকৰা ১০ টকা নিবিদা আহ্বান কৰোতে বিচাৰে । কিন্তু উপাধ্যক্ষ মহোদয়, এই শতকৰা ১০ টকা বেহাই নহৈ শতকৰা ৩০ টকা হয়গৈ । যদি এক লাখ টকা ৰাস্তাৰ বাবে চেংচন হয় তাত মাত্ৰ ৭০ হাজাৰ টকাহে খৰচ কৰা হয় । ৩০ হাজাৰ টকা খৰচ নকৰে । অন্ততঃ এই ক্ষেত্ৰত শতকৰা ১০ ভাগ বেহাই দি ৯০ ভাগৰ কাম হব লাগি চল । তাৰ পৰিবৰ্ত্তে আজি ৭০ ভাগৰহে কাম হৈছে । এইদৰে আমাৰ টকাৰ অপচয় হৈছে । মই যথেষ্ট উদাহৰণ দিব পাৰো । এনেকুৱা ধৰণে যিটো টকা মজুৰী দিয়া হয় সেইবিলাক অনাদৰকৈতে খৰচ কৰা হৈছে । তাৰোপৰি আমাৰ ৰাস্তা আৰু দলং নিৰ্ম্মাণ কৰোতে গড়কাপ্তানী বিভাগে প্ৰকৃতিৰ লগত বহুতো যুজ কৰিবলগা হৈছে । ৰাস্তা আৰু দলং যিবিলাক বান্ধিছে সেইবিলাক প্ৰাকৃতিক দুৰ্য্যোগত বছৰে বছৰে নষ্ট হৈ গৈছে । যোৱা বছৰৰ বানপানীৰ প্ৰকোপত ৰাস্তা দলং সকলো বিলাক নষ্ট হৈ গল । ইয়াৰ কোনো লেখ জোখ নোহোৱা হৈছে । আমাৰ চৰকাৰে প্ৰাকৃতিক শক্তিক কেনেকৈ ৰোধ কৰিব পাৰে তালৈ লক্ষ্য ৰাখি ৰাস্তা দলং আদি নিৰ্ম্মাণ কৰিব লাগে । আমাৰ উত্তৰ অঞ্চলত মৰা পাগলাদিয়া নদীয়ে ৰাইজক জুৰুলা কৰিছে । মৰা পাগলাদিয়াত যিমানেই দলং নকৰক লাগে সেই দলং নাথাকে । মন্ত্ৰী মহোদয়া গলে স্পষ্ট ভাবে দেখিবলৈ পাব । আজি যিবিলাক অঞ্চল ক্ষতিগ্ৰস্ত হৈছে তাত ৰাইজে দুৰ্ভোগ ভুগিবলগা হৈছে । তাত বিভিষিকাৰ সৃষ্টি হৈছে। তাত মৰা পাগলাদিয়াই ধ্বংস লীলা চলাই আছে । তাত যিবিলাক দলং দিয়া হৈছে সেইবিলাক কাঠৰ দলং । মই

ভাবো আৰু অনুৰোধ কৰো যাতে দলং খন কাঠৰ হলেও খুটা বিলাক আৰ, চি, চিৰ কৰিব লাগে । কাৰণ কাঠৰ খুটাৰ এই দলং বেছিদিন নিটিকে । মোৰ বৰমা সমষ্টিত কুমাৰিকাটা জালাহ ৰাস্তাৰ ২ই দুইৰ যি বিৰাট দলং আছে সেই দলং বানপানীত একেবাৰে নাইকীয়া হৈছে । ইয়াৰ বাবে মানুহৰ যোগাযোগ বিচিন্ন হৈ পৰিছে । গতিকে এই অঞ্চলত বানপানী প্ৰতিৰোধ কৰিব পৰা দলং যাতে পি, ডব্লিউ, বিভাগে দলং কৰে তাৰ বাবে অনুৰোধ কৰিলো । তাৰোপৰি দলংৰ এক কিলোমিটাৰ আগলৈকে বানপানী নিয়ন্ত্ৰণ কৰাৰ বাবে চেষ্টা কৰিব লাগে । একা বেকা গতিৰে প্ৰত্যেক বছৰে বানপানীৰ ফলত ৰাস্তা আৰু দলং নষ্ট হৈ যোৱাৰ বাবে যোগাযোগ নষ্ট হৈ যোৱাৰ ওপৰিও ৰাইজ জুকুলা হৈ পৰিছে । মোৰ সমষ্টিৰ জালাহ কুমাৰিকাটা ৰাস্তাটোৱেই ইয়াৰ জলন্ত প্ৰমাণ ।

গতিকে মই এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছোঁ যে আগত বছৰৰ সপ্তম পৰিকল্পনাৰ প্ৰথম ভাগতে যিটো ৰাস্তা আৰু দলঙৰ কথা উল্লেখ কৰা হৈছে সেইটো যেন সম্পূৰ্ণ হৈ উঠে । কাৰণ এইটোৱেই বাগানপাৰা ৰাস্তা কলেজলৈ যোৱা আৰু যাতায়াতৰ একমাত্ৰ পথ ।

তাৰ পিচত আমি দেখিছোঁ বছৰি বছৰি সমষ্টি হিচাবে বিধায়ক সকলে এম এন পিৰ নামত কিছু টকা পায়, আমি কিন্তু উপলব্ধি কৰিছোঁ বিধায়কক দিয়া ৫ লাখ ৩৫ হেজাৰ টকা সংৰক্ষিত সমষ্টিৰ কাৰণে কম হয় । কাৰণ এইটো জেনেৰেল হিচাবৰ টকা । ট্ৰাইবেল এৰিয়াত ইয়াৰ বেছি পাব লাগিছিল । ফলত ট্ৰাইবেল অঞ্চল বঞ্চিত হৈছে নেকি ? ইয়াৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছোঁ । তাৰ পিচত, মাষ্টাৰ ৰোলৰ কৰ্মী সকলৰ ক্ষেত্ৰত আমি দেখিছো নলবাৰীত যিটো এন, কে ডিভিজন আছে তাৰ অধীনত ধমধমা চাব ডিভিজন আৰু তাৰ অধিনত চেকচন অফিচাৰ আছে । আঠ জনৰ অধিক শ্ৰমিক তাত নাই । যিমানবিলাক ৰাস্তা ভাঙি আছে এই আঠজন শ্ৰমিকৰ দ্বাৰা এই কামবিলাক কৰাটো সম্ভৱ নহয় । এজন অভাৰচিয়াৰৰ অধিনত আঠজন শ্ৰমিক আছে । গতিকে মই মন্ত্ৰী মহোদয়ৰ ওচৰত এই বক্তব্য ৰাখিছো যে যিমান সংখ্যক ৰাস্তা আছে সেই ধৰণেৰে শ্ৰমিক হলে আৰু ৰাস্তা-ঘাট মেৰামতি কৰিলে, দলং আদি হলে বোধহয় ৰাইজেও শান্তি পাব ।

মাননীয় উপাধ্যক্ষ : আপুনি তিনিটা বজাতে শেষ কৰিব ।

শ্ৰীঅলিত বড়ো : জনজাতীয় অঞ্চলত বসবাস কৰা যিমানবিলাক লোক আছে সেই সকলক গড়কাপ্তানী বিভাগতে হওক বা বিভিন্ন যি কোনো ক্ষেত্ৰতে হওক নিয়োগৰ ক্ষেত্ৰতে বঞ্চিত হৈ আছে । ট্ৰাইবেলৰ কাৰণে যিটো বেক লগ আছে. এইটো কোনো বিভাগতে পূৰণ হোৱা নাই । গড়কাপ্তানী বিভাগৰ ক্ষেত্ৰত এই অভাব আমি বেছি দেখিছো । এন কে ডিভিজন নলবাৰীত যিমানবিলাক কৰ্মচাৰী আছে তাৰ ভিতৰত এজনেহে ঠিকমতে কাম পাইছে । যদি ট্ৰাইবেল সকলক অলপো মৰমৰ চকুৰে নেচাই তেন্তে এই বেক লগ বছৰি বছৰি বাঢ়ি গৈ থাকিব । জনসংখ্যাৰ পেৰ্টানত গড়কাপ্তানী বিভাগত কামৰ বিতৰণ হব লাগে বুলি মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো

উপাধ্যক্ষ মহোদয়, এই দুই বছৰত মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা এটাও চহী লবলৈ সক্ষম হোৱা নাই, কাৰণ তেখেত মন্ত্ৰীৰ কলনীত নাথাকে । তেখেতৰ ঘৰলৈ যোৱাৰ সুবিধা নাই । মই সমালোচনা কৰিব খোজা নাই মাত্ৰ কথাটোহে কৈছো ।

(সময়ৰ সংকেট)

ইমানতে মোৰ কৰ্ত্তব্য সামৰিছো ।

শ্ৰীমথুৰা ডেকা : মাননীয় উপাধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটো দাঙি ধৰিছিলোঁ আৰু এতিয়া এই সন্দৰ্ভত চমুকৈ কব বিচাৰিছো । বেছিকৈ কব নোৱাৰো কাৰণ আমাৰ সদনৰ মাত্ৰ এগৰাকী মহিলা মন্ত্ৰী আছে । চৰকাৰে জানিশুনিয়েই পি, ডব্লিউ ডি বিভাগটো সকলোৱে আক্ৰমন কৰে কাৰণেই এই বিভাগটো মহিলা মন্ত্ৰীৰ হাতত দিয়াৰ ব্যৱস্থা কৰিছে ।

যি কি নহওক উপাধ্যক্ষ মহোদয়, আমাৰ অসমখন এখন এজেন্সী হিচাবে বহু কালৰ পৰা চলি আছে ৰাতি পুৱা এটা প্ৰশ্নৰ উত্তৰত শ্ৰীহেমেন দাসে সুধিছিল যে মেডিকেল কলেজত লাখ লাখ টকা ব্যয় কৰা হৈছে যে যত জীৱন মৰনৰ কথা আছে । তাত ৯ লাখকৈ টকা হজম কৰি এটি কোম্পেনী বহি আছে, কিন্তু তাৰ উত্তৰ নাই । আজি দুবছৰে আমি এইকথা উত্থাপন কৰিছো কিন্তু তাৰ উত্তৰ দিওঁতা নাই ।

(মিঃ ডেপুটী স্পীকাৰঃ আপুনি গড়কাপ্তানী বিভাগৰ কথা কওক)

এই কথাটো আমি পাহৰা নাই। কিন্তু উপাধ্যক্ষ মহোদয় আপুনি পাহৰাবৰে চেষ্টা কৰিছে। যি ৯ লাখ টকা মোটা-মোটী গল তাৰ দায়িত্ব কোনে লৈছিল ? আৰু সূত আমি কিমান পাওঁ। সূতে-মুলে কিমান টকা হব ?

গড়কাপ্তানী বিভাগৰ উদ্যোগী সকল কলিকতাতে থাকে আৰু এজন ট্ৰেড এডভাইজাৰো তাত আছে। অসমত আলকতৰা বা অন্যান্য বস্তু লাগিলে তেওঁলোকেই তাৰ পৰা টেণ্ডাৰ দি আহ্বাণ কৰাই ঠিকা আদি দিয়ে। পি, কে, দাস নামৰ এটা কোম্পানী আছে এইটো এটা জাল কোম্পানী আৰু "অলট্ৰেডাৰ্চ" আৰু নৰ্থ ইষ্টান চাপ্লায়াৰ্চ নামৰ আৰু দুটা কোম্পানী আছে এই গোটেই বিলাক ভুৱা, জাল কোম্পানী। এই বিলাকেই আমাৰ অসমত ব্যৱসায় চলাই আছে। ট্ৰাকত ভৰাই চিমেণ্ট লৈ আনি মাজ বাটতে বালু মিহলাই আমাক দিয়ে।

উপাধ্যক্ষ মহোদয়, ১৯৬২ চনৰ কাহিনী আপোনাৰ নিশ্চয় মনত আছে, তেতিয়াই চীনে অসম আক্ৰমণ কৰিছিল আৰু চীনাৰ হাতত আমাৰ বহুত সেনা মৰিল। আচলতে সেই বিলাক চীনাৰ হাতত মৰা নাই মৰিল আমাৰ ৰাস্তাত খুন্দিয়াই খুন্দিয়াইহে। সেই সময়ত ৰাস্তা নাছিল দলং নাছিল ভঙা দলঙত পৰিও আমাৰ সৈন্য বহু মৰিল। এই ৰাষ্টা-ঘাটৰ ঠিকা কোনে লৈছিল ? লৈছিল সকলো বাহিৰৰ ঠিকাদাৰে। ঠিকা লৈ অসম নদন বদন কৰিবলৈ আহিছিল কাম কি হল কোনেও কব নোৱাৰে। কিন্তু এওঁলোকে বিল দি পাছ কৰাই টকালৈ নেফ নেফ কৰিলে। যুদ্ধ নোহোৱা হলে এই কাহিনী আমি কেতিয়াও গম নাপালোহেতেন। কিন্তু চীনা যুদ্ধ হোৱা কাৰণে বিভিন্ন কাকতে পত্ৰই সমালোচনা হল আৰু সেয়ে আমি জানিব পাৰিলোঁ।

এতিয়া উপাধ্যক্ষ মহোদয়, হাইওৱে হল, এই হাইওৱে বোৰলৈ চাওক গধূলি ৬টা বজাৰ পিছত বাটত ওলাব নোৱাৰি। জীৱনৰ শংকা। হাইওৱে বোৰ খালীস্তানৰ আড্ডা, গধুলী ৰাস্তাবোৰ খালীস্তানৰ আড্ডা হৈ যায়। গোটেই লাইনটোত হোটেল তাতে ট্ৰাক বোৰ ৰাখে। এই ৰাস্তাবোৰত

কিমান দুৰ্ঘটনা যে হৈছে। শৰাইঘাট দলংৰ পৰা কমলপুৰলৈকে এই পথ ছোৱাত দুৰ্ঘটনাত কিমান ড্ৰাইভাৰ যে মৰিছে হিচাপ নাই। আকৌ সোনাপুৰ জাগীৰোড ৰাস্তাতো একেই অৱস্থা।

গুৱাহাটী মিউনিচীপাল কৰ্পৰেচনে আকৌ এটা বেপাৰ কৰিছে। আমিনগাওঁ জালুকবাৰীৰ ওচৰত ট্ৰাক, বাছ বোৰ ৰাখি চেক কৰি ১০ টকাকৈ লয়। তাত কি যে ভীৰ, মানুহ যাব নোৱাৰে। অসম চৰকাৰে বাছ বিলাকৰ পৰা টেক্স লোৱা আৰম্ভ কৰিছে আৰু ভীৰ বঢ়াইছে। জালুকবাৰী পুলিচ পইণ্ট পাৰ হৈ দেখিব তাত এটি কাষ্টমৰ চেক গেট। ৭ বজাৰ পিচৰ পৰা ট্ৰাক সমূহে হাইওৱেৰ ওপৰত চেক কৰাৰ বাবে লাইন পাতে। দুই তিনি শাৰীকৈ যেতিয়া ট্ৰাক বোৰ ৰয় পাৰ হবৰ উপায় নাই। ইফালৰ পৰা যোৱা সিফালৰ পৰা অহা গাড়ীৰ মাজত যেতিয়া চাইদ লৈ কাজিয়া আপুনি বোন্দা পৰা দি বহি থাকক। যদি গাড়ী এইদৰে চেক কৰিব লাগে তেনেহলে ৰাস্তাবোৰ বহল কৰক নহলে তলত এখন ফিল্ড কৰক কাৰণ অসুবিধাবোৰ সকলোৱে দেখিছে, পুলিচে দেখিছে, ৰাইজেও দেখিছে আৰু চৰকাৰৰ বিভিন্ন বিভাগৰ মন্ত্ৰী সকলেও দেখিছে। আৰু এটা কথা হৈছে কি যে ৰাস্তা ঘাট অকল বান্ধিলেই নহব তাৰ ৰক্ষনা বেক্ষন কৰিবও লাগিব। অসমৰ ৰাস্তাত ৰুল মতে ১০ টন ওজনৰ গাড়ী চলিব লাগে কিন্তু এতিয়া ১৮ টনতকৈও বেছি ওজনৰ গাড়ী চলি আছে। গতিকে ৰাস্তাবোৰ বহল কৰক। নহলে এই বিলাকৰ জয় যাত্ৰাত আমাৰ ৰাস্তা বা দলং এখনো নাথাকিবগৈ, সব শেষ হৈ যাব। আমাৰ কমলপুৰ ৰাস্তাত এটা মাইনৰ কালভাৰ্ট আছে এইটো পাৰহৈ যোৱাৰ সময়ত উপাধ্যক্ষ মহোদয় এনেকুৱা লাগে যেন এটা মস্ত জাপ হে মাৰিলোঁ। উপাধ্যক্ষ মহোদয়, আপুনি যিমান ভাল গাড়ীৰে গলেও জপিয়াই পাৰ হোৱা গম পাব। এইটো ঠিক কমলপুৰ ব্লকৰ ওচৰত। তাত আকৌ যি শ্লেব আছে সেইটোও ফাট মেলিছে একেবাৰে তললৈকে দেখা পায়, কোন দিনাযে কাৰ ভাগ্যত মৃত্যু মিলে কব নোৱাৰো। ইয়াৰ ইঞ্জিনীয়াৰ আৰু ঠিকাদাৰ কোন আছিল কব নোৱাৰো চাব লাগিব।

উপাধ্যক্ষ মহোদয়, ৰাস্তাবোৰ বহলোৱাৰ কথাই নহয় তাৰ ওপৰত

নিয়ন্ত্ৰণো থাকিব লাগিব। অন্ততঃ গড়কাপ্তানী বিভাগৰ পৰা পুলিচক জনাব লাগিব যে তেনে ধৰনে ট্ৰাক ৰাস্তাত ৰাখিব নোৱাৰে। চেক গেট পাতি যাত্ৰীৰ ওপৰত অত্যাচাৰ চলোৱা আৰম্ভ কৰিছে। ইয়াৰ কাৰণে মই গড়কাপ্তানী বিভাগক সমালোচনা কৰিম। বিল পাছ কৰি টকা লৈ গৈছে। কিন্তু ৰাস্তা কি হৈছে চোৱা নাই।

(ধ্বনি ঃ ৰাস্তা আজি-কালি ভাল হৈছে)

আপোনাৰ বোধহয় মনত আছে নলবাৰীলৈ যাওঁতে কেনেকৈ জপিয়াই যাব লগা হৈছিল।

(ধ্বনি ঃ বানপানীৰ সময়তহে)

উপাধ্যক্ষ মহোদয়, অসমীয়া মানুহক ৰাস্তা ঘাট ভাল লাগে, ৰাস্তাৰ কাৰণে আজি প্ৰত্যেক অসমীয়া মানুহ যত্নবান হৈছে। যি সকলৰ ঘৰত শিক্ষিতাছোৱালী আছে তেওঁলোকে বোচ যত্ন লৈছে কাৰণ নহলে ভাল দৰা নাহে।

(সদনত হাঁহিৰ ৰোল)

এইটো হাঁহিৰ কথা নহয়। ৰাস্তা বেয়া হলে ছোৱালী দিয়া টান হয় কাৰণ শহুৰৰ ঘৰলৈ ভাল দৰা টেক্সী লৈ আহিব নোৱাৰে। ছোৱালী ভাল দৰাত দিয়াৰ মানষে গাৱঁৰ মানুহে ৰাস্তা-ঘাট বোৰ বান্ধিবলৈ লৈছে। এয়া যুগৰ দাবী। গড়কাপ্তানী বিভাগৰ ইয়াত কোনো বৰঙনী নাই। আজি-কালি ছোৱালী থকা মানুহৰ ঘৰত কিবা কৈ হলেও একোটা চোফা-চেট ৰাখে। কেনেকৈ কব নোৱাৰো আজি কালি মানুহ উন্নত হৈছে। সিদিনা শুনিলো এজন ঠিকাদাৰে চিমেণ্ট লৈ গৈছে ৬ হাজাৰবস্তা। তেওঁ যথা সময়ত গুদামত জমা দিব নোৱাৰিলে নিজৰ ঘৰতে ৬ মাহ ৰাখিলে। কাৰণ চিমেণ্টৰ লগত বালি ভৰাব লাগিব। গতিকে এইবোৰ ব্যৱস্থা অলপ মন্ত্ৰী মহোদয়াই চাব লাগে।

গতিকে এই বিলাক ব্যৱস্থা দূৰ কৰিব লাগে। আজি সকলোতেই ভেজাল হৈছে। মেডিকেলত ভেজাল, আনকি বিহতো ভেজাল হৈছে।

উপাধ্যক্ষ মহোদয় আপুনি ডি ডি টি খাই চাব পাৰে। আজি-কালি ডি ডি টি খালে মানুহ নমৰে। আমি আজি ইমান ভেজালৰ মাজেৰে আগবাঢ়িছো যে যতেই যায় ততেই ভেজালকে পাব মিঠৈ খালে মৰিব পাৰে কিন্তু বিষ খালে নমৰে। কেনেকৈ বিনা শ্ৰমে ধন ঘটিব পাৰে তাৰে প্ৰতিযোগীতা চলিলে। আমাৰ ৰাজধানী নিৰ্ম্মাণ কৰিবৰ সময়ত বালিৰে এনেকুৱা কাম কৰিলে যে এতিয়া কেলেঙ্কাৰ এখন ওলোমাবলৈ আমাৰ কুৱাটাৰত এটা গজাল মাৰি ৰাখিব নোৱাৰি গজাল সোমাই যায় আৰু বেৰৰ বালুবোৰ জৰ জৰ কৈ পৰিব ধৰে। আজি যি বিনা শ্ৰমে ধন ঘটাব প্ৰতিযোগীতা চলিছে এই প্ৰতিযোগীতা ই এণ্ড ডি আৰু পি ডব্লিউ ডিৰ মাজত বেছিকৈ চলিছে। আমি জনাত আগতে কোনো দিনেই কোকৰাঝাৰত বানপানী হোৱা নাছিল। কিন্তু যেতিয়াই কোকৰাঝাৰৰ পৰা বাননিয়ন্ত্ৰন মন্ত্ৰী হল তেতিয়াৰ পৰাই কোকোৰাঝাৰত বানপানী হবলৈ ধৰিলে। মই এইটো দাঠি কব পাৰো যে বান নিয়ন্ত্ৰন মন্ত্ৰীয়ে পদত্যাগ নকৰালৈকে কোকোৰাঝাৰত বানপানী নিয়ন্ত্ৰন কৰিব পৰা নহব। আমি অভিযোগ পাইছো যে বাননিয়ন্ত্ৰণ মন্ত্ৰীয়েই কোকোৰাঝাৰত বান্ধ বিলাক ভঙাই দি বানপানীৰ সৃষ্টি কৰি বানপানীৰ পৰীক্ষাগাৰ পাতিছে। আমাৰ গড়কাপ্তানী বিভাগৰ মন্ত্ৰীৰো তেনেকুৱাই অৱস্থা হব। ঠিকাদাৰে ভেজাল কৰি বালি দি পকাঘৰ নিৰ্ম্মাণ কৰিলে সেই ঘৰ ভাঙি পৰিব বুলিয়েহে তেখেতে দুই তলা ঘৰ নবনায়। কাৰণ মিস্ত্ৰীৰি তেখেতে নিজে নলগায়। আমাৰ প্ৰত্যেক জন মানুহেই যদি নিজৰ নিজৰ দায়িত্ব পালন কৰি যায় তেতিয়াহলে আমি ডি আৰ ডিৰ দৰে সুন্দৰ সুন্দৰ আঁচনি লব পাৰো। অসমৰ হাইস্কুল বিলাকত হাজাৰ হাজাৰ লৰাই পঢ়ে। যাৰ ফলত ২০০শ কোটি টকা খৰচ হয়। কিন্তু ইমান টকা খৰচ কৰাৰ পিচতো কেইটা লৰাই প্ৰথম বিভাগত পাচ কৰিব পাৰে? নাম ভৰ্ত্তিৰ সময়ত ইখন কলেজৰ পৰা সিখন কলেজলৈ দৌৰাদৌৰি কৰোতেই যায়। গড়কাপ্তানী বিভাগত ইমান ভেজাল হয় যে, ইয়াৰ কৰ্মচাৰী সকলে বিনা শ্ৰমে ইমান টকা ঘটিব পাৰে যে যাৰ কাৰণে মানুহ ছোৱালী দিবলৈ বৈ থাকে। দৰ্মহা কিমান পায় সেইটো কাৰো খবৰ লবলৈ প্ৰয়োজন নাই মাত্ৰ গড়কাপ্তানী বিভাগৰ

ইঞ্জিনিয়াৰ বা কোনো কৰ্মচাৰী হলেই হল। আনকি ইঞ্জিনিয়াৰিং পাচ কৰাৰ আগৰে পৰাই লৰা হাত কৰি ৰাখে। কাৰণ এইটো সকলোৱে জানে যে ১০০ টকাৰ কাম কৰিলে তাৰ বিল ৫০০ টকা হব। ৩১ মাৰ্চৰ দিনা এই বিভাগত কি চলে আপোনালোকে দেখিছেনে ? খানা বনোৱাই খানা বনাই থাকে, বিল পাচ কৰাই বিল পাচ কৰয়েই থাকে। মা-বাপ নাই। অৱশ্যে এতিয়া এই বিলাক কৰিবলৈ ইমান টকা নাই। যি আছে সেইখিনি মন্ত্ৰীয়ে আটক কৰি ৰাখিছে। আমি দেখিবলৈ পাইছো যে কোনো এখন দলং দিলে সেই দলং ভাঙি যায়, ৰাস্তা বান্ধিবলৈ দিলে ৰাস্তা বন্ধা হৈ যায় কিন্তু ৰাস্তাত মাটি নপৰে। শিল দিবলৈ দিলে বিল পাচ হৈ যায় কিন্তু ৰাস্তাত শিল নপৰে। এইদৰেই আমাৰ এই বিভাগটো চলি আছে। কাৰো কোনো কথা চকুত কেতিয়াও নপৰেনে। মই নিজ জানো গোৰেশ্বৰৰ এজন মহৰি আৰু এজন এচ ডি অৰ কথা কব বিচাৰিছো। শিল নিদিয়াকৈয়ে ইঞ্জিনিয়াৰে বিল পাচ কৰি দিছে। কথাটো হল যে ঠিকাদাৰ গৈ ইঞ্জিনিয়াৰক ধৰিলেগৈ যে তেওঁ শিল দিয়াৰ বিলখন পাচ কৰি দিব লাগে। তেতিয়া ইঞ্জিনিয়াৰে এচ ডিঅক সেই বিল খন কৰি দিবলৈ কলে। এচ ডি অয়ে অভাৰচিয়াৰক বিল পাচ কৰি দিয়াৰ কথা কলে। তেতিয়া অভাৰচিয়াৰে মহৰিক শিলৰ ষ্টক দিবলৈ কলে। শিল নোপোৱাৰ বাবে মহৰিয়ে শিলৰ ষ্টক নিদিলে। কিন্তু ঠিকাদাৰজনে বাৰে বাৰে ইঞ্জিনিয়াৰক বিলৰ কথা কৈ থকাৰ কাৰণে ইঞ্জিনিয়াৰ জন খং মুৰ্ত্তিৰে নিজেই আহিল। আৰু মহৰিক বিচাৰ কৰি মতাই আনি ধমকি দি কলে তুমি বোলে ঠিকাদাৰক দিগদাৰ দিছা, ষ্টকটো লিখি নিদিয়া কিয় ? ভালে ভালে ষ্টক লিখি দিয়া। তেতিয়া মহৰি জনে কলে যে চাৰ শিল ৰাস্তাত নপৰাকৈয়ে যদি লিখি দিবলৈ কয় এখন লিখা দিয়ক তেতিয়াহলে মই লিখি দিম তেতিয়া ইঞ্জিনিয়াৰে ঠিকাদাৰ জনক কলে যে মহৰি জনক সন্তুষ্ট কৰক। তাৰ কিছুদিনৰ পিচতেই মই দেখিবলৈ পালো যে মহৰি জনৰ ঘৰত টিং লাগিল। এই দৰেই মহৰিৰ পৰা অভাৰচিয়াৰ, অভাৰচিয়াৰৰ পৰা, এচ ডি অ, এচ ডি অৰ পৰা ইঞ্জিনিয়াৰ এই দৰেই ভেজাল চলি আহিছে। দেশৰ কাৰণে কাম কৰাৰ মন এটা কৰ্মচাৰী সকলৰ থাকিব লাগে।

লাগে। একেবাৰেই দেশখন শেষ কৰি পেলাব নালাগে। মই ভাৰতবৰ্ষৰ বিভিন্ন ঠাইলৈ গৈছো কিন্তু আমাৰ ইয়াৰ দৰে ৰাস্তাৰ তিনিমাইল আতৰে আতৰে একোখনকৈ ট্ৰাক লুটিখাই পৰি থকা দেখা নাই। বাটত ওলালেই দেখা পাব গড়ীবোৰৰ পাৰ্ট ভাঙি বাট জাম কৰি আছে, যাৰ বাবে যাত্ৰীৰ চলাচলত বাধা জন্মিছে। ৰাস্তা বিলাক যি বিলাক চিচটেমত কৰিব লাগে সেই চিচটেমত কৰা নহয়। আৰম্ভনিটো ভাল নোহোৱাৰ কাৰণেই আজি এনে অৱস্থা হৈছে। নহলে ৪ বছৰ মেৰামতিৰ বাবে ৩ ইঞ্চিকৈ ওখ কৰি গলে ১০০ বছৰত কিমান ইঞ্চি ওখ হব উপাধ্যক্ষ মহোদয়, আপুনি ভাবি চাওক। আপোনাৰ ঘৰ ৰাস্তাৰ বহুত তলত পৰি থাকিব। আমি তাজমহলৰহে গৌৰব কৰো এই বিলাক অক্ষুন্ন ৰাখিব লাগে।

উপাধ্যক্ষ মহোদয়, কলিকতাত থাকি টেণ্ডাৰ কল কৰা, নিযুক্তি দিয়া আদি বন্ধ কৰিব লাগে। আমাৰ ইয়াত নীলাম বজাৰ হৈছে, কিন্তু হৈ কি হৈছে? এইবোৰ ৰাইজক ভূৱা দিয়া, অৱজ্ঞা কৰাহে হৈছে। আমাৰ বৰ্ত্তমান ট্ৰেড এডভাইজাৰ আৰু পি, কে ট্ৰেডাৰ আদিৰ যি নীতি তাৰ সলনি কৰিবৰ হ'ল। আমাৰ ত্নৰ্নীতি ইমানেই বাঢ়িছে যে তাক আমি হিচাব দিব নোৱাৰো কিয়নো আগেয়ে ৰাস্তা পদুলিৰ কাম কৰিছিল গড়-কাপ্তানী বিভাগে। এতিয়া ইয়াৰ বাহিৰেও চৰকাৰৰ যিবোৰ নতুন আঁচনি হাতত ললে সেই বোৰতো ৰাস্তা পদুলিৰ কাম সোমাই গল। তাৰ ফলত ব্লকৰ বি, ডি, অ' জনো ৰাইজৰ দূৰ্নীতিত নামি পৰিল।

উপাধ্যক্ষ মহোদয়, এই খিনিতে মই আৰু এটা কথা এই বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। কিছুদিনৰ পৰা এই বিভাগে কিছুমান শিক্ষিত নিবনুৱা ল'ৰাক সামান্য এটা জলপানী দি ঠিকা আদি কৰিবলৈ প্ৰশিক্ষণ দিছিল। এই শিক্ষিত লৰাবোৰক বিভাগৰ ঠিকা আদি কৰিবলৈ সুবিধা দিয়াৰ লগতে বেংকৰ পৰাও সাহায্য দিয়াৰ কথা কৈছিল। কিন্তু মই দেখাত আজিলৈকে এই কাম হৈ উঠা নাই। আমাৰ এই উঠি অহা ডেকা সকলক ঠিকা ঠুকলি দিয়াৰ কাম চৰকাৰে হাতত লব পাৰে। তেওঁলোকৰ হতুৱাই কাম কৰাব লাগে।

উপাধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়াক আৰু এটা কথা অনুৰোধ কৰিব খুজিছো যে গোৰেশ্বৰৰ পৰা বাইহাটা চাৰিআলিলৈ যিটো ৰাষ্ট্ৰা সেইটো অতি পুৰণি আৰু সেই ৰাষ্টাটোৱে অসংখ্য গাড়ী চলাচল কৰে। চৰকাৰৰ এটা নীতি আছে যে যিবোৰ ৰাষ্টা অতি জৰুৰী আৰু তাত অতিমাত্ৰা গাড়ী চলাচল কৰে আৰু যি ৰাষ্টাৰ কাষত ঘন বসতি তেনে ৰাষ্টাবোৰ সোনকালে ব্লেক টপিং কৰাৰ ব্যৱস্থা কৰা হয়। মই ভাবো এই ৰাষ্টাটো কম গুৰুত্বপূৰ্ণ নহয়। গতিকে এই ৰাস্তাটো অতি সোনকালে ব্লেক টপিঙৰ ব্যৱস্থা কৰিব লাগে। যদি তাকে কৰা নহয় তেনেহলে এই ৰাস্তাৰ দুয়ো পাৰে যিমান মানুহ বসবাস কৰে সেই মানুহবোৰে ধূলি খাই খাই বেমাৰী হব আৰু শেষত এই বিভাগেই ঔষধৰ ব্যৱস্থা কৰিব লাগিব।

উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ এটা এম, এন, পি ৰাস্তাত এই বছৰ আঢ়ৈ লাখ টকা দিছিল। কিন্তু এতিয়া ইঞ্জিনীয়াৰে কৈছে যে সেই টকাৰে দলংখন সম্পূৰ্ণ নহব। সেই কাৰণে মই ইঞ্জিনীয়াৰক কৈছো যে খুটা কেইটা হলেও কংক্ৰীট কৰক ওপৰৰ খিনি আমি বাহেৰে দি হলেও চলাচল কৰিম সেই ফালৰ পৰা চাই আজি গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়াই যিখন প্ৰায় ৮৭ কোটি টকাৰ বাজেট উত্থাপন কৰিছে সেইখন মই ভাবো একো ডাঙৰ বাজেট হোৱা নাই। অৱশ্যে মই তেখেত সকলৰ পৰিকল্পনাৰ ভিতৰ সোমাই চোৱা নাই। কিন্তু আজি বস্তুৰ দাম যি দৰে বাঢ়িছে তালৈ চাই টকাৰ আৰু প্ৰয়োজন হব বুলি হে মই ভাবো। সেই কাৰণে মই এটা কথা পৰামৰ্শ দিব খোজো যে ভাৰাৰ যিখন সম্প্ৰতি গড়কাপ্তানী বিভাগৰ ৰেট চিদিউল আছে সেইখন পৰিবৰ্ত্তন কৰিব লাগে। কিয়নো এতিয়া এই ৰেটত কোনো ঠিকাদাৰে ভাল কৰি দিব নোৱাৰে। যিহেতু এতিয়া শাল কাঠৰ দাম কেবিত ৭০ টকা।

চিমেন্টৰ দাম ৭০-৮০ টকা, সেইদৰে অন্যান্য বস্তুৰ দামো বাঢ়ি গৈছে। সেই কাৰণে আমি যদি এই কামবোৰ পূৰণা ৰেটটে দিও তেনেহলে ঠিকাদাৰ সকলে শাল কাঠৰ ঠাইত মদাৰ বা ছজিনা কাঠ লগাবলৈ বাধ্য হব। উপাধ্যক্ষ মহোদয়, এই খিনিতে মই আৰু এটা কথা কও—আমাৰ

বৰ্ত্তমান যিবোৰ কাঠৰ দলং আছে সেইবোৰৰ অন্ততঃ খুটা কেইটা কংক্ৰীট কৰাৰ ব্যৱস্থা কৰিব লাগে। খুটাবোৰ কংক্ৰিটৰ হলে দলংৰ কাম খুটা হিচপে হৈ যাব মাত্ৰ ওপৰৰ কাঠবোৰ হে সা-সলনি কৰি থাকিব লাগিব। এই খিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্য শেষ কৰিলো।

Mr. Deputi Speaker : May I draw the attention of all the Hon. Members to the time factors. We have in all 8 grants, of which we have cut motions on five grants and no cut motions on three. We could not pass even one grant till now. Moreover, the Hon. Minister PWD shall have to be give atleast one hour time for reply. There are several Hon. members who want to speak. I, therefore, request all of them not to press for more time and will try to restrict their deliberations to five minutes and finish within this time. Now, Shri Jainal Abedin to speak.

শ্ৰীজয়নাল আবেদিন : মাননীয় উপাধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়াই মঞ্জুৰী বিচাৰি যি বাজেট উত্থাপন কৰিছে তাক মই সমৰ্থন কৰি তাৰ বিৰোধী পক্ষই অনা কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মই দুষাৰমান কথা কৈ আগবাঢ়িছো। উপাধ্যক্ষ মহোদয়, মই প্ৰথমতে মন্ত্ৰী মহোদয়াক এটা কথাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে আজি ৮-১০ বছৰ মানৰ আগতে প্ৰতিটো মহকুমা পৰিষদৰ যোগেৰে, প্ৰত্যেকটো ব্লকতে একোটাকৈ M.N.P. ৰাস্তা বনোৱা হৈছিল। এতিয়াও বহু বছৰ পিছতো এই ৰাস্তাবোৰ মেৰামতি নোহোৱাকৈ পৰি ৰল। মহকুমা পৰিষদক যদি কোৱা হয় তেনেহলে তেওঁলোকে গড়কাপ্তানী বিভাগৰ কথা কয় আৰু গড়কাপ্তানী বিভাগে এই কামটো মহকুমা পৰিষদলৈ ঠেলি দিয়ে। সেই কাৰণে মই মন্ত্ৰী মহোদয়াক এটা কথা অনুৰোধ কৰো আমাৰ যিবোৰ এম, এন, পিৰ টকা দিয়া হয় তাৰ কিছু অংশ হলেও এই ৰাস্তাবোৰ

মেৰামতি কৰাৰ কাৰণে ব্যৱস্থা কৰিব লাগে।

দ্বিতীয়তে মই আমাৰ ৩১নং ৰাষ্ট্ৰীয় পথৰ দুৰবস্থাৰ বিষয়ে কিছু কও। যোৱা চেপ্তেম্বৰ মাহত হোৱা বানপানীৰ ফলত বন্সিৰ হাটৰ পৰা গুৱাহাটীলৈ যি ৩১নং ৰাষ্ট্ৰীয় পথ আছে সেইটো বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হয়। ইয়াৰ ফলত এই ৰাস্তায়েদি যাতায়তৰ ভীষণ অসুবিধা হৈ পৰিছে। আনকি সেই বানপানীৰ সময়ত ২-৩ দিনলৈকে এই ৰাস্তাত গাড়ী বন্ধহৈ থাকিবলগীয়া হৈছিল। এই ৰাস্তাটোৰ মেৰামতিৰ কাম এতিয়ালৈকে হৈ উঠা নাই বৰপেটাৰ পৰা ধুবুৰীলৈ এই ৰাস্তাৰ অংশটো অতিকৈ বেয়া মেৰামতি হৈ এতিয়াও উঠা নাই। গৌৰীপুৰ বিধান সভাচক্ৰৰ কেনৰী-ডিমাকুৰি যিটো P.W.D. ৰাস্তা সেইটো এটা বৰ্ডাৰ ৰোড। ইয়াৰ এটা অংশ গঙ্গাধৰ নৈয়ে ৬-৭ বছৰৰ আগতে ভাঙি নিয়ে। এই বিষয়ে কেইবাবাৰো চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰা হৈছিল কিন্তু সেই ৰাস্তাটোৰ ওপৰত চৰকাৰে এতিয়াও কোনো গুৰুত্ব দিয়া নাই। এই ৰাস্তাটো অকল যাতায়তৰ কাৰণেই নহয় ইয়াৰ লগত সীমান্তৰ প্ৰশ্নও জড়িত হৈ আছে। সেই কাৰণে এই ৰাস্তা-টোৰ প্ৰতি চৰকাৰে গুৰুত্ব দিব লাগে। আনহাতে আহোমগঞ্জ-কাজিগাওঁ টিপকাই যিটো P.W.D. ৰাস্তা; সেইটোৰ অৱস্থাও অতি দুখ লগা। এই ৰাস্তাটোত বাৰিষাৰ দিন কেইটাত গাড়ী নচলে। সেইদৰে ধুবুৰী -বাসবাৰী, দিংদিঙা যিটো গড়কাপ্তানী ৰাস্তা আছে সেইটোৰো অৱস্থা শোচনীয়। এইখিনিতে মই সদনক জনাও যে এই ৰাস্তাটো এটা ব্যস্ততাপূৰ্ণ আৰু প্ৰয়োজনীয় ৰাস্তা যিটো ৰাস্তাৰে ৰূপচী বিমান ঘাটীলৈ যোৱা হয় সেই কাৰণে এই ৰাস্তাবোৰৰ উন্নতি সাধন কৰিবলৈ মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

উপাধ্যক্ষ মহোদয়, এই খিনিতে মই এটা কথা কও-আমাৰ ৰাষ্ট্ৰীয় পথবোৰৰ দুয়োপাৰে অসংখ্য হোটেল, গেৰেজ আদি পাতিছে যাৰ কাৰণে এই ৰাস্তাৰে মুকলিমৰীয়া ভাবে চলাচল কৰিব নোৱাৰি। কিয়নো হোটেল আৰু গেৰেজৰ সন্মুখত অসংখ্য গাড়ী ৰৈ থকাৰ কাৰণে বহু সময়ত মটৰ দুৰ্ঘটনা আদিও হয়। সেই কাৰণে এই বিভাগৰ অধীনত যদি এইবোৰ বন্ধ কৰাৰ ব্যৱস্থা আছে তেন্তে ব্যৱস্থা লব লাগে। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*Debandra Kowar : Mr. Dy. Speaker Sir, time is very short. So I would like to touch upon a few points with regard to the Demand made by the Hon. P.W.D. Minister. I support the Demand and oppose the Cut Motion that has been moved by the oppositson Members. While moving the various Demands for grants by different Ministries, it offers an opportunity for the respeetive ministry to inform the August House what works have been done. It is just not to place the Demand as is done here for a total sum of Rs. 87,24,57,00/-. The Demand moved for the expenditure during 1985-86. While supporting it, I should like to put in some suggestions to the Hon. P.W.D. Minister that she would do well if she had indicated with regard to distribution of the funds district-wise atleast if not constituency-wise. That will help us much. Now various grants are received from the Centre in the shape of F.D.R. and other grants. As we have such funds, a number of Hon. Members have expressed their opinion as to their distribution. Now there are two aspects—one, maintenance of existing roads and bridges. and the other is the planning part. There must be planning, proper planning for new roads. If the fund is available, I would suggest the Hon. P.W.D. Minister that she would do well to move a bigger budget for her ministry, but we want to see that the existing roads are well maintained, bridges are well maintained, and new roads and bridges are taken up.

---

*Speech not corrected

Sir, in my constituency there is a wornout sick bridge which was built in 19:4, and in the last two budget sessions of the Assembly also the condition of this bridge and its repair were discussed about, but nothing seems to have moved so far and nothing has been done to it. Every time the Hon. Members of this House pleads with the Hon. P.W.D. Minister to pay some attention to it. but nothing is done. I think, the Department should have its internal arrangement, internal survey; internal planning and internal vigilance itself. Repair of the bridges and their maintenance should have been taken up after internal investigation by the Department of P.W.D. itself. It should come from the Deptt. itself. Another bridge about which several Hon. Members have expressed their opinions for repair etc. That is the Dikhor bridge in Sibsagar District which was built 34 years back. It has outlived its life and is in a precarious condition. We do not know who is to do the repair work. Some says it is the responsibility of the Central Government and they are to maintain these as maintenance of National Highways are their reponsibility. Necessary funds are given to the State Govt. and that are do not it. Our responsibility is to maintain State Highways and State roads. And Sir, this is a bridge on the State Highway. Yet nothing so far seems to have moved, and their particular aspect. Sibsagnr being on industrial area, special grants should be made by the

*Speech not corrected

Centre for the mainienance of roads and bridges in the industrial area. There is an agreement between the O.N.G.C. and the P.W.D. under which roads are to be maintained in the industrial area on (0 : 4) basis. Hon. Minister would do well if she had constitued a sort of a standing Committee in which we may be included so that we can sort things out. Hon. P.W.D. Minister had been Chief Minister for sometime and she was considered to be a very brave Chief Minister, and I do not see any reason why as P.W.D. Minister she cannot bring herself to bear with her own Department to make it efficient.

There is another bridge I want to mantion about Long back in 1957 a survey was made for Lakpatia bridge on the river Dishang. Now this Deptt. has spent some money on the planning of this bridge, survey was made, soil testing experiments were taken. Now I would like to know whether the proposal has been abandoned or it is in cold storage. Similarly, there are certain roads, there is a very old road in Sibsagar District in my Constituency called Taxi Ali. Once upon a time Taxi Ali could go through it and so it was Taxi Ali. But very unfortunate thing is that this 2 k. m. road has not been improved, when a number of roads has been taken over by the P.W.D., I simply cannot understand the logic why the P.W.D. has not taken over only this 2 k. m. road. Now, whenever I ask the local Engineers they

*Speech not corrected

say that we cannot put up the proposal to the higher ups in the Department if we are not asked to put up the proposal by the Chief Engineer or the Secretary P.W.D. What type of democratic administration is this ? When there is a public interest for a 16 or 18 k. m. link road and 16 k.m. out of 18 k.m. is taken over by the P.W.D., the 2 k. m is left out. So, this is the position. I have mentioned it during my last budget speech also. Now there is an embankment we have been talking in this august House. We have been suggesting that ihere are certain areas where road-cum-bund is a must. It is absolutely necessary, but there seems to be no coordination for taking over and maintenance between the Flood Control and the P.W.D. Deptt. I suggested in my last budget speech in this house that there should be coordination between the Flood Control and P.W.D. Deptts. so that certain road-cum-bund may be jointly maintained or it should be handed over to the Flood Control Department or to the P,W.D. Deptt. or they should have joint responsibility to maintain both as a bund and a road. I had many things to say but because of the paucity of time just conclude but before concluding I would like to say that when she was Chief Minister she used to be called very efficient and now I believe, she will get her old form in dealing with this P.W.D. Deptt.

---

*Speech not correctd

Hon'ble Deputy Speaker :— Now Shri Altaf Hossain Mazumder.

Shri Altaf Hossain Mazumder — Mr. Deputy Speaker Sir, I oppose the cut motion and support the demand, of the Minister of P.W.D. As time limitation is there, I may be permitted to go on some specific grievances. Though it is a very small matter but we have been constrained to place it befor the house in couse of this cut motion for attention of the PWD Minister and the department as well. There are some genuine difficulties take department are. Now-there very heavy vehicles on the roads thoug there are not at all fit for this purpose: Sir, public complaints are more about the maintenance of roads. We know the difficulty of the department. It is the question of imagination and taking action at the right time. Sir, I bessech that whenever the road starts deteriorating, action should be taken immediately, and in most of the cases the deterioration has been aggravated because months and months and years are taken to take action. Sir, before coming to specific few roads, I would like to draw the attention of the Minister PWD that there was a proposal Govt: of Assam will construct a bridge over Rani Ferry as this is very essential to maintain inter-state direct link to Silchar with Manipur State from the Jowai road. In 1967 the Govt. of Assam considred the matter and subsequently it was brought to the notice of Govt. of India and the proposal was with the Ministry of Transport. but, so far we do not

know what follow up action has been taken. So, Hon'ble Minister may kindly look into it and see that what follow up action has been taken with the Ministry of Transport. In course of debate in this house, the Hon'ble, Minister said that the matter was taken up with the NEC, but I do not know the position and now is in what shape and will the Hon'ble Minister may kindly look to into as this is a very urgent need of the locality. It is the bounden duty of the PWD to maintain the ferry connecting two PWD roads. But nothing has been done to Start Buribial ferry one Barak Rivers. This was brought repeatedly brought to the notice of the PWD and I do not know why PWD is slumbering over it. Sir, there are two roads. Viz S.J. Road & T.R.K. Road of Cachar constructed during the British regime are in a bad shape. Sir, the Additional Chief Engineer has already visited and he himself has felt urgency to repair of there roads. I do not want to comment more on it. There are other interior roads in my constituency which need imediate repair. What I feel is that if there be adequate supervision, the condition of the roads may not come to such a stage. These roads, even in this season, cannot be used, not to speak on the rainy season. Sir, PWD may say that they could not undertake repairing work because of paucity of fund. I think, road once construction and open to the public it is the bounden duty of the Department to maintain it. Paucity of fund should not be the execuse. In my opinion no

new roads should be taken in hand and preference should be given to maintenance of the old old roads. Sir, I request the PWD Department to stop construction of the new roads for some years and undetake repairing of the old roads if sufficient fund is not available at their disposal. I alse like to draw the attention of the Hon'ble Minister, PWD and the Flood Control Minister about the embankments. Sir, there is lack of co-ordination between the PWD and Flood Control Department. Sir, there are some embankments which are used as roads and in this case, there should be some co-ordination. In this connection, I want to cite two embankments which are used as roads. One is Borkhela Phase- II and another Madhuram Mashimpur dyke under Silchar Flood Control Division. Sir, it is the bounden duty of the Government to maintain these embrnkments as roads. I request the PWD Department to take then over as these are mainly used as roads. With these few words.

Shri Silvius Condpan - Mr. Chainman, while suppo.ting the demand for roads and bridges moved by our Hon'ble Minister, PWD and opposing the demand tabled by opposition Members, I would like to make a fcw observations. Sir, the opposition members have already expressed their concern about the functioning of the Department and I would also like to add a few along witn them. Sir, this Honse is going to sanction a huge sum of money with a high hope and so far roads and

bridges are concerned, the Department of Public Works will do Justice to the people. Sir, we have got now in the P.W.D. a Commissioner, Secretary' Chief Engineer. But Sir, the money already spent dose not commensurate with the quality of the work done Sir, when we look at the quality of the work, we could come to the conclusion that there is lack of supervision of the higher officials. Sir, this is a very serious thing. Sir, in the name of repair of the bridges, the quality of materials used for the construction are of inferior quality and trucks, buses cannot cross the bridges safely. I do not want to say that the Department is not doing well. They are doing well in many fronts. But Sir, what I feel is that there is lack of supervision from higher authorities of the Department. The grievances of the public is for better roads and bridges. What are the duties of the officials who are in the field areas, who are in the execution level ? The the higher authoritics should frequently tours the areas find themselves what is necessary and advise the Government to provide funds for works. Sir, nobody could think that the Department has done any annual repairing work. The conditton of the road remains almosl the same. Sir, now I come to the important aspect like Mechanical wing of the PW Department. This wing needs gearing up because many of tha machineries required for constructional works remain idle. So far as black topping is concerned, I would like to say that this work has come to a halt because of defects in the crushing machines.

Now, the Department is simply collecting cheaps from the rivers and using them for blacktopping. This is a very serious matter. Before I conclude, I would like to point out sone roads which needs immediate attention of the Department. These are 37 NH. Another road from Moran upto Sibsagar. I hope, the Department would kindly take note of it. When we come from Tezpur to Dispur, we pass through Mangaldoi. On the way, there is an absolately narrow bridge at the police point in Mangaldoi town. We know that the bridge was constructec by the Britishers before we have born. It needs immediate replacement for the safety of the padestrians and of the travelling vehicles. Another road is within Mangaldoi and on this road, there is a bridge near the Transport office over the Mangaldoi river. This also requires immediate repairing because once the Silghat bridge is completed, this road will be very busy road what will then be the condition of Mangaldoi ? Sir, througt you, I would request the PWD Minister to see that these bridges are replaced. Sir, the border road from Tamulpur to Rowta-Charali has still remained incomplete. It is almost nobody's business . May I request the PWD Minister to look into it and take up with the appropriate authority so that the border road from Tamulpur to Rowta-Charali is taken up without further delay. There is a Corporation known as AGCC which is the most useless organisation of the Department. The department minus AGCC is doing well. What I have seen and experienced that

AGCC's efficiency is very very poor. I would request the hon'ble PWD Minister to see that either its working is geared up or it is totally scrapped. The AGCC is the brain chaild of the present commissioner of PWD, and this organisation is headed by him who is an able officer. May be due to his serious preoccupation, he could not look into its functioning properly. I would, therefore, request the PWD Minister to grear up this organisation. With these suggestions, I support the Demand and oppose the **Cut Motion.**

*শ্ৰীআমিৰ আনছা তালুকদাৰ :— মাননীয় উপাধ্যক্ষ মহোদয় আজি ৰাস্তা আৰু দলঙৰ শিতানত যি খিনি টকা এই শিতানত পেছকৰা হৈছে তাৰ সমৰ্থনত আৰু বিৰোধী দলে তনা কৰ্ত্তণ প্ৰস্তাৱৰ বিৰোধীতা কৰি মই মোৰ বক্তব্য ৰাখিবলৈ প্ৰয়াস কৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, বহুখিনি কথাই কবলগীয়া আছিল যদিও সময়ৰ অভাৱত মাত্ৰ মূল কথা কেইটাই কৈ যাম।

মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি হয়তো জানে যে, আমাৰ বৰপেটা জিলা খন দ' এলেকাত অৱস্থিত আৰু বছৰৰ বেছি ভাগ সময়েই বানপানীৰ মাজত থাকে। মাননীয় উপাধ্যক্ষ মহোদয়, আপুনিও জানে আৰু এই কথা বিলাক বাতৰি কাকতত প্ৰকাশ হোৱাৰ ওপৰিও প্ৰত্যেক মাননীয় সদস্য আৰু মানুহৰ মুখে মুখে যোৱা বানপানীৰ ধ্বংসলীলাৰ কথা চলিছিল। এই ধ্বংসলীলাৰ ফলত বৰপেটা জিলা খনৰ ৰাস্তা-ঘাটৰ যি ক্ষয় ক্ষতি হল তাৰ তুলনাত আজি ইয়াত বৰপেটা জিলাৰ ৰাস্তা-ঘাটৰ আৰু দলঙৰ কাৰণে যিটকা ধৰিছে সেইটো একেবাৰেই নগণ্য হৈছে।

মাননীয় সদস্য শ্ৰীইব্ৰাহিম আলি চাহাবৰ তাত যাওঁতে বৰপেটাৰ পৰা মন্দিয়ালৈ এই ৰাষ্টাচোৱাৰ যি দুৰৱস্থাৰ দেখিলোঁ সেই ৰাস্তাৰ তুলনাত বহুত গাৱঁলীয়া ৰাস্তাও বহুত ভাল অৱস্থাত আছে বুলি কবলাগিব। তাৰ পিছত মন্দিয়া এৰি যাওঁতে যি চোৱা ৰাস্তা পালো সেই চোৱাৰ অৱস্থা পথাৰখনৰ নিছিনা

বুলিয়েই কব লাগিব । এইদৰে বৰপেটা জিলাৰ সকলো বিলাক ৰাস্তা-ঘাটেই এনেকুৱা দুখলগা অৱস্থাত পতিত হৈছে । মোৰ সমষ্টিৰ মাজেৰে দুটা ৰাস্তা, এটা ৰাস্তা ভৱানীপুৰ বৰপেটা আৰু আনটো ৰাস্তা নগাওঁ সৰ্থেবাৰীলৈ গৈছে । এই দুয়োটা ৰাস্তাত দিনে নিশাই গাড়ী চলে । এই ৰাস্তাৰে চলা গাড়ী বিলাক গুৱাহাটীৰ লগত যোগাযোগ আছে । ভৱানীপুৰ বৰপেটা ৰাস্তাৰ মাজত যত মাইনৰিটি কমিউনিটিৰ মানুহ বসবাস কৰে সেই অঞ্চলত ৰাস্তাৰ কাম একো কৰা হোৱা নাই । এই ৰাস্তাচোৱা যাতে বাকী চোৱা ৰাস্তাৰ নিছিনা কৰে তাৰ কাৰণে মই আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো ।

তাৰ পিছত উপাধ্যক্ষ মহোদয়, নগাওঁ সৰ্থেবাৰী ৰাস্তাটোও বহুত দিনৰ পুৰণা ৰাস্তা । এই ৰাস্তাইদি নলবাৰী হৈ গাড়ী গুৱাহাটীলৈ আহে । এই ৰাস্তাটোত গাড়ী চলাচল কৰিব পৰা অৱস্থা আছে যদিও অতি সোন কালেই 'ব্লেক টপিঙ'ৰ ব্যৱস্থা কৰিব লাগে ।

তাৰোপৰি, আৰু কেইটামান ৰাস্তা আছে । তাৰে এটা ৰাস্তাৰ সংক্ৰান্তত মই কালি প্ৰশ্ন সুধিছিলো, সেইটো সম্পূৰ্ণ হব বুলি কৈছে । যোৱা বিধান সভাততো সেই ৰাস্তাটোৰ বিষয়ে মই উত্থাপন কৰিছিলো । গতিকে সেই বিষয়ে আৰু এতিয়া মই কোনো কথাৰ অৱতাৰণা নকৰো ।

মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াৰোপৰিও আৰু বহুত ৰাস্তা বৰপেটা জিলাত আছে যিটো বিভাগীয় মন্ত্ৰী মহোদয়াই জানেই । গতিকে মই আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়া তথা আমাৰ চৰকাৰক এইটে হে অনুৰোধ কৰিম যে, যোৱা ভয়ানক বানপানীয়ে কৰা তাণ্ডৱলীলাৰ পৰি প্ৰেক্ষিতত আমাৰ বৰপেটা জিলাৰ সকলোবিলাক ৰাস্তা-ঘাট, দলং আদি 'প্ৰপাৰ চাৰ্ভে' কৰি যত যত প্ৰয়োজন হয় সেই সেই বিলাক ৰাস্তা-ঘাত সম্পূৰ্ণৰূপে বন্ধা, মেৰামত কৰা, 'ব্লক টপিং পকী কৰা আদি ব্যৱস্থা যুদ্ধকালীন তত্পৰতাৰে লব লাগে ।

উপাধ্যক্ষ মহোদয়, ৰাস্তাঘাটৰ কাৰণে মনোযোগ দিবৰ কাৰণে মই গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়াক অনুৰোধ জনালো । এই দলংখন

যাতে সোনকালে হয় তাৰ কাৰণে যেন মন্ত্ৰী মহোদয়াই চকু দিয়ে। মই আৰু এটা কথালৈ আঙুলিয়াই দিব বিচাৰিছো যে পহুমাৰা নদী এৰিয়েই এই দলংখন সম্পূৰ্ণ নকৰাৰ ফলত যথেষ্ট অসুবিধা হৈছে। বানপানীয়ে উটাই দিয়া দলং এতিয়াও হোৱা নাই অথচ যোৱাবাৰ আন্দোলনৰ সময়ত যি বিলাক দলং জুই লগাই পুৰি পোলোৱা হ'ল সেই বিলাক ততাতৈয়াকৈ বান্ধি দিয়া হ'ল অথচ বানপানীত উটি যোৱা দলং এতিয়াও হৈ উঠা নাই।

(সময়ৰ সংকেত)

উপাধ্যক্ষ মহোদয়, এই বিলাক কথাত অগ্ৰাধিকাৰ দি এইটো কৰিবলৈ মই অনুৰোধ ৰাখি কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Deputy Speaker— Order, order, our time is fixed and now the Hon'ble Minister, P.W.D., is to give her reply and she is likely to take one hour. Thereafter, other grants are there to pass. Then, there is a proposal to extend the House for few minutes. I think we may extend the House for about half-an-hour. If the Hon'ble Members want it then we may extend the House up to 5/30 p.m.

(Voices, yes, yes).

The House will sit upto 5/30 p.m.

*শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ, (গড়কাপ্তানী মন্ত্ৰী)— মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ সন্মানিত সদস্য বিৰোধী দলৰ আৰু আমাৰ দলৰ প্ৰায় ৯ জন মানে এই কৰ্ত্তন প্ৰস্তাৱত ভাগ লৈ বহুখিনি বহুমূলীয়া পৰামৰ্শ আগবঢ়াইছে। প্ৰথমতে সেই কাৰণে মই তেখেতসকলক ধন্যবাদ

*Speech not corrected

জনাইছো। কিয়নো এই আলোচনা প্ৰসঙ্গত আমি আগতে নোপোৱা খবৰ ভালেখিনি জানিবলৈ পাইছো। আমাৰ মাননীয় সদস্য সকলক প্ৰায়ে লগ পাওঁ কিন্তু তেখেতসকলে তেতিয়া নোকোৱা কথা কিছুমানো এতিয়া পৰামৰ্শ হিচাবে আগবঢ়াইছে। মই প্ৰথমতে আমাৰ বিৰোধী দলৰ সদস্য অলিত বৰো ডাঙৰীয়াৰ কথাই কৈছো। তেখেতে ভালেমান পৰামৰ্শ আগবঢ়াইছে। তেখেতে ভাষণ প্ৰসঙ্গত মোক ঘৰত লগ নোপোৱাৰ কথা কৈছে কিন্তু মই দহ বজাৰ পৰা অফিচত বহো আৰু ৰাতিপুৱা আঠ বজাৰ পৰা ফাইল আদি চোৱাৰ কাৰণে প্ৰায় দহ বজা মানলৈকে ঘৰত বহো। গতিকে অফিচত মোক লগ নোপোৱাৰ কথা নাই। মাননীয় সদস্য শ্ৰীমথুৰা ডেকা ডাঙৰীয়াই জনতা ভৱনত গৈ কেতিয়াবা মুখমন্ত্ৰীও নাই অন্য মন্ত্ৰীও নাই কিন্তু আপুনি আছে বুলি কোৱা কথাও নিশ্চয় উল্লেখ কৰিব পাৰো। আচলতে মাননীয় সদস্য বড়ো ডাঙৰীয়াই লগ পাব পৰা নাই বুলি শুনি দুখ পাইছো। আমাৰ মাননীয় সদস্য সকলে নিজৰ নিজৰ সমষ্টিৰ কথা কৈছে আৰু সেইমতে পৰামৰ্শ আগবঢ়াইছে। কিন্তু সকলো বিলাক বিষয়ৰ ওপৰত কবলৈ হলে যথেষ্ট সময় লাগিব। যিবিলাক কথা প্ৰায় মিল আছে সেই ক্ষেত্ৰত আমাৰ বিভাগৰ কথাখিনি জনাব বিচাৰিছো। ইয়াৰ বাহিৰেও যদি কিবা বাকী থাকি যায় তেতিয়াহলে মই আপোনাসৱক জনাব পাৰিম।

উপাধ্যক্ষ মহোদয়, অসমত ৰাষ্টাঘাটৰ অভাৱ থকা ঠাই এতিয়াও বহুতো আছে আৰু বৰ্ত্তমানে থকা বহুতো ৰাষ্টাঘাটৰ উন্নতিকৰণৰ আৱশ্যকতাও আছে। এই অভাৱ বা আৱশ্যকতাৰ কথা লক্ষ্য ৰাখিয়েই গড়কাপ্তানী বিভাগে বাৰ্ষিক পৰিকল্পনাবোৰৰ যোগেদি যিমানখিনি পৰা যায় ৰাজ্যখনৰ পৰিবহন বা চলাচলৰ উন্নতি সাধনৰ চেষ্টা চলাই আছে। এইখিনিতে উল্লেখ কৰিব খোজো ৰাষ্ট্ৰিয় পৰিকল্পনা আয়োগে ৰাষ্টা আৰু দলংৰ ভাগটো মূল খণ্ডত বহিৰ্ভূত কৰি ৰখা হেতুকে ৰাষ্টাঘাট নিৰ্ম্মাণ বা উন্নতিকৰণৰ বাবে আশানুৰূপ হিচাপে পুঁজি পোৱা নাযায়। চলিত বিত্তীয় বছৰৰ বাৰ্ষিক পৰিকল্পনাত ৰাষ্টাঘাটৰ ভাগত ভৈয়াম অঞ্চলৰ বাবে সৰ্ব্বমুঠ ১৬ কোটি টকা ধাৰ্য্য কৰা কৰা হৈছিল। এই ধনখিনি দুটা আঁচনিৰ কাৰণে বিভক্ত কৰি কাম হাতত

*Speech not corrected

লোৱা হৈছে। মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই কৈছে যে কাম কৰিলেও সময়ে সময়ে টকা নাপায়। আমাৰ যিমান টকা ধৰা হয় তাতোকৈ বেছি টকা সময়ত খৰচ কৰিবলগীয়া হয়। আমাৰ ঠিকাদাৰ সকলেও ধৰে। তেতিয়া চাপ্লিমেণ্টৰী ডিমাণ্ড লৈ আহিবলগীয়া হয়। যিহওক এইটো উল্লেখ কৰিব খোজো যে চলিত বছৰত ভৈয়াম অঞ্চলৰ বাবে এই বিভাগত ১৬ কোটি টকা ধৰা হৈছে। মাননীয় সদস্য শ্ৰীঅলিত বড়ো ডাঙৰীয়াই জনজাতীয় অঞ্চলৰ টকাৰ খৰছ হৈছে নে নাই জানিবলৈ বিচাৰিছিল। মই মাননীয় সদস্যৰ লগতে সদনৰ জ্ঞাতাৰ্থে জনাব খোজো যে নুণ্যতম আৱশ্যকতা আঁচনিত ৬ কোটি টকা ধাৰ্য্য কৰা হৈছে। যোৱা বছৰত এই শিতানত পাচ কোটি টকা ধাৰ্য্য কৰা হৈছিল। ইয়াৰ পৰা প্ৰতিটো সমষ্টিতে পাচ লাখ ৩৫ হাজাৰ টকা দিব বিচৰা হৈছে। সপ্তম পৰিকল্পনা সম্পূৰ্ণ হলে এই ধন ৬ লাখ পৰ্য্যন্ত দিব পৰা হব বুলি আশা কৰা হৈছে। প্ৰত্যেক সমষ্টিতে টকা খৰচ কৰিবলৈ দিয়াৰ লগতে এইটো কথাও জনোৱা উচিত হব যে যিবোৰ সমষ্টিত ট্ৰাইবেল ঠাই আছে সেইবিলাকত তাতকৈও কিছু বেছি টকা দিব পৰা হব। ইয়াৰ উপৰিও নুন্যতম আৱশ্যকতা আঁচনিৰ বহিৰ্ভূত আঁচনিত ১০ কোটি টকা ধৰি যোৱা বছৰতকৈ ৬০ লাখ টকা বেচি ধাৰ্য্য কৰা হৈছে। উক্ত দুই শিতানত চলিত বিত্তীয় বছৰত কামৰ লক্ষ্য ধাৰ্য্য কৰা হৈছে এই ধৰণে ঃ ৰাষ্টা পকীকৰণ ২২৬ কিলোমিটাৰ, আৰু নতুন গ্ৰাম্য ৰাষ্টা নিৰ্ম্মাণ ৫৫০ কিলোমিটাৰ। এই দুই শিতনৰ অন্তৰ্গত সম্পূৰ্ণ ধন ব্যয় কৰি ওপৰত কোৱা ধৰণে লক্ষ্য প্ৰাপ্তি কৰা যাব বুলি আশা কৰা হৈছে।

চলিত বছৰত জনজাতীয় উপপৰিকল্পনাৰ অন্তৰ্গত ২২৫ লাখ টকা আচুতীয়াকৈ অনুমোদন দিয়া হৈছে। এই পুজিৰে জনজাতীয় অঞ্চলত ১২০ কিলোমিটাৰ নতুন গ্ৰাম্যপথ নিৰ্ম্মাণ ১২ কিলোমিটাৰ কেচা ৰাস্তাৰ পকীকৰণ আৰু নিৰ্ম্মাণ অৱস্থাৰ এখন কংক্ৰীট দলঙৰ কাৰণে ধন ধাৰ্য্য কৰা হৈছে। কোকৰাঝাৰ জিলাৰ ৰামফলবিল ৰাস্তাত গৌৰাঙ্গ নদীৰ দলঙৰ বাবে

*Speech not corrected

অনুমোদিত পয়সত্তৰ লাখ টকা ভৈয়াম অঞ্চলৰ বাবে ধৰা সাধাৰণ পুজিৰ পৰা ব্যয় কৰা হব। সাধাৰণ বাজেটৰ পৰা এইখিনি ট্ৰাইবেল এৰিয়াত দিয়া হৈছে। বোধকৰো এতিয়া আপোনালোকৰ কথাটো পৰিস্কাৰ হৈছে। এম-এন-পিৰ বাহিৰেও অনুসূচীত জাতিৰ বাবে মূল পৰিকল্পনাৰ শিতানত চল্লিশ লাখ টকাৰ আচুতীয়াকৈ অনুমোদন দিয়া হৈছে। ইয়াৰে অনুসূচীত জাতিৰ অঞ্চলত ৩০ কিলোমিটাৰ নতুন গ্ৰাম্যপথ নিৰ্ম্মাণ আৰু কিছুমান ৰাস্তা আৰু দলঙৰ উন্নতি কৰণৰ লক্ষ্য স্থিৰ কৰা হৈছে। মই উল্লেখ কৰা উপপৰিকল্পনা আৰু মূল পৰিকল্পনাৰ পুজিৰ ব্যয়ত সম্পূৰ্ণ লক্ষ্য প্ৰাপ্তি হব বুলি পূৰ্ণ বিশ্বাস ৰখা হৈছে।

ষষ্ঠ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ শেষত ভৈয়াম অঞ্চলৰ ২০, ০৬৪ খন গাওঁৰ ভিতৰত ১১, ৬৩১ খন গাওঁ অৰ্থাত শতকৰা ৫৯ খন গাওঁ গড়কাপ্তনী বিভাগৰ পথেৰে সংযোজিত হব বুলি আশা কৰা হৈছে। তুলনামূলক ভাবে এই লক্ষ্য প্ৰাপ্তি সৰ্ব্বভাৰতীয় হাৰতকৈ কোনো গুণে কম নহয়। ঠিক একেদৰেই জনজাতি অঞ্চলৰ উপপৰিকল্পনাৰ অধীনত ৪৫৬২ খন গাওঁৰ ভিতৰত ২৭২০ খন গাওঁ অৰ্থাত শতকৰা ষাঠি খন গাওঁ গড়কাপ্তানী বিভাগৰ পথৰ দ্বাৰা সংযোজিত হব বুলি আশা কৰা হৈছে। ৰাজ্যখনৰ পাহাৰ অঞ্চলৰ বিকাশৰ বাবে চলিত বিত্তীয় বছৰত পৰিকল্পনাত অনুমোদিত ধনৰ পৰিমাণ হ'ল ৫.৫০ কোটি টকা। ইয়াৰ উপৰিও উপৰঞ্চি পৰিকল্পনাৰ শিতানত পাহাৰ অঞ্চলৰ বাবে ৭.২৫ কোটি টকা অনুমোদিত কৰা হৈছে।

বাৰ্ষিক পৰিকল্পনাৰ পুজিৰে কাম চলি থকা প্ৰায় ২১৩ কিলোমিটাৰ নতুন কেচা ৰাস্তা নিৰ্ম্মাণ আৰু ৫০ কিলোমিটাৰ ৰাস্তাৰ পকীকৰণৰ কাম সম্পূৰ্ণ কৰাৰ উপৰিও নুন্যুতম আচনিৰ অন্তৰ্গত প্ৰায় ১০০ কিলোমিটাৰ নতুন কেচা ৰাস্তা নিৰ্ম্মাণৰ কাম সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ হৈছে। ওপৰঞ্চি পৰিকল্পনাৰ শিতানত ১৪৭ কিলোমিটাৰ নতুন কেচা ৰাস্তা নিৰ্ম্মাণ আৰু ২৩ কিলোমিটাৰ ৰাষ্টাৰ পকীকৰণৰ কাম চলিত বিত্তীয় বছৰত সম্পূৰ্ণ

*Speech not corrected

হোৱাৰ আশা আছে। আশাকৰো মাননীয় সদস্য সকলে উত্থাপন কৰা বিষয়ত ৰাষ্টা ঘাটৰ সম্পৰ্কত এই খিনি কথা প্ৰয়োজ্য হব।

ৰাষ্টাঘাটৰ এটা থূলমূল আভাষ দিয়া হ'ল। এইখিনিতে মই কব লাগিব যে গড়কাপ্তানি বিভাগৰ যিখিনি ডেকা ডাঙৰীয়াইও কৈছে যে ভাল হৈছে গতিকে মই তেখেতক ধন্যবাদ জনাইছো। এইটো কথা মই কব বিচাৰিছো যে ১৯৮২-৮৩ চনত ভৈয়াম অঞ্চলৰ ৰাষ্টাৰ দৈৰ্ঘতা আছিল ২২, ৬০০ কিমি, পাহাৰ অঞ্চলৰ ১০৩৮ কমি. ১৯৮৩-৮৪ চনত ভৈয়াম অঞ্চলত ২৩, ৯৩০ কিমি, পাহাৰ অঞ্চলত ২৯৩০ কিঃ মিঃ। ১৯৮৩-৮৪ চনত ভৈয়াম অঞ্চলত পকী ৰাষ্টা হ'ল ২০৬০ কিঃ মিঃ পাহাৰ অঞ্চলত ২০০৭ কিঃ মিঃ। যোৱা বছৰ পকীকৰণ কৰা কাৰণে ভৈয়াম ২৩৪ কিঃ মিঃ আৰু পাহাৰত ৩৪ কিঃ মিঃ ধাৰ্য্য কৰা হৈছিল। আৰু ইয়াৰ কাৰণে ৬০ কোটি টকা বয় হব বুলি ধাৰ্য্য কৰা হৈছিল। মাননীয় সদস্য সকলে প্ৰায়ে ৰাষ্টা ব্লেক টপিং কৰাৰ কথা কয় আৰু সেই কাৰণে এইটো কৰা হৈছিল। মাননীয় কেইজমান সদস্যই কলংৰ কথা কৈছে। আমাৰ মাননীয় সদস্য কোৰৰ ডাঙৰীয়াই আখৈফুটীয়া দলংখনৰ কথা কৈছিল। মই কব খুজিছো যে এই দলং খন পঞ্চবাৰ্ষিক পৰিকল্পনাত জৰীপ কৰা হৈছিব কিন্তু ৬ষ্ঠ পৰিকল্পনাত ইয়াক নিৰ্ম্মাণৰ কাৰণে অন্তভুক্ত কৰ নহ'ল আৰু সেই কাৰণে এই দলং নিৰ্ম্মাণ কৰা নহ'ল। যোৱা বছৰত ১০খন ডাঙৰ দলং, আন্তঃৰাজ্যিক এন ন, ইকনোমিক হেডৰ ৩৫ খন দলং আৰু এনইচিৰ ৮ খন দলং মুঠ ৫৪ খন দলং যোৱা বছৰ কৰা হৈছে। আমাৰ মাননীয় সদস্য কেবা গৰাকীয়েও কাঠৰ দলং পকী কৰাৰ কথা কৈছিল। এই উত্তৰত পাগলাদিয়াৰ দলং খনৰ কথাও উল্লেখ কৰিছে। পাগলাদিয়ানদীৰ অকোৱা পকোৱা দোতৰ কথাও কৈছে। গতিকেই তাৰ খুটাবিলাক আৰচিচি কৰাৰ কথা কৈছে। অসমত এতিয়াকৈকে ৭০০ পৰা ৮০০ লৈ কাঠৰ দলং আছে। যদি এই বিলাক আৰচিচি কৰিবলগীয়া হয় তেনেহলে আমাক বহুত টকাৰ আৱশ্য হব। গতিকে আমি পৰ্য্যায়ক্ৰমে আমি এই

*Speech not correctd

দলং বিলাক সলনি কৰাৰ পলিচি লৈছো। ৰাষ্ট্ৰীয় ঘাইপথ ৩১ নং ৩.২৯ আৰু ৯২.২৯ কিঃ মিঃ অ.ৰু ৩৮,৩৭ টো ৰাস্তাৰ কাম কৰা হৈছে। এই গোটেইখিনি কেন্দ্ৰীয় চৰকাৰৰ টকা। আমাৰ মাননীয় সদস্য কেবাজনেও নেচনল হাইওৱেৰ কামত দোকান পোহাৰ ঘৰবাৰী কৰাৰ কথা উল্লেখ কৰিছে। আচলতে এইবিলাক বিমোভ কৰিব লাগে। এই ক্ষেত্ৰত আমি ও চিন্তা কৰিছে আৰু কেন্দ্ৰীয় চৰকাৰৰ আহিত বিবন দেভলপমেণ্ট এক্ট আমি বিধান সভাত পাছ কৰিবলৈ ইতিমধ্যে বিধান সভালৈ পঠিয়াইছো। এইবিলখন পাছ হৈ যোৱাৰ পাছত আমি নিশ্চয় নেচনেল হাইওৱেৰ কামৰ ৰাস্তা ঘৰবাৰী, দোকান পোহাৰ উঠাই দিয়াৰ ব্যৱস্থা কৰিব পাৰিম। নিয়মমতেও হাইওৱেৰ কাষৰ ঠাইখিনি দূৰ্ঘটনা আদি যাতে নহয় তাৰ কাৰণে পৰিস্কাৰ হৈ থাকিব লাগে।

আমাৰ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই আমাৰ দলং বিলাক বিজ্ঞান সন্মত হোৱা নাই বুলি কৈছে আৰু তাৰ কাৰণেই মটৰ দূৰ্ঘটনা বিলাক হৈছে বুলি কৈছে। মই তেখেতৰ কথাতো অস্বীকাৰ কৰা নাই। সাধাৰণতে এখন দলংৰ দুয়ো কাষৰ এপ্ৰোচ দুটা ৩০ ফুট পৰ্যান্ত চিধা হৈ থাকিব লাগে। কিন্তু আমি এতিয়া যিমানবিলাক দলং কৰিবলৈ লৈছো সেই বিলাক আমাৰ বিভাগৰ নিয়মতেই কৰিবলৈ লোৱা লৈছে।

আজি বিজ্ঞান সন্মত ভাবে ৰাস্তা বিলাক তৈয়াৰ কৰা। এতিয়া নতুনকৈ যিবিলাক ঠাইত তৈয়াৰ কৰা হৈছে সেইবিলাকত তেনেধৰণে ৩০ মিটাৰ কৈ দুয়োফালে ৰাস্তা ৰখাৰ যিটো নিয়ম সেইটো পালন কৰা হৈছে। তাৰোপৰি বহুদিনৰ আগতে কৰা কিছুমান দলং আছে সেইবিলাকৰ বিষয়ে কিবা এটা কৰিবৰ কাৰণে নিশ্চয় চাম। দ্বিতীয়তে মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই চিমেণ্টৰ দূৰ্নীতিৰ কথা কৈছে আৰু আমাৰ কাৰ্ত্তিক চৰকাৰ ডাঙৰীয়াইও এইবিষয়ে এটা প্ৰশ্ন আনিছিল তেতিয়া মই উত্তৰত কৈছিলো আমাৰ যিটো নেচনেল হাইওৱে ৫২ নং আছে তাতে ৮৪ হাজাৰ বেগ ভাল চিমেণ্ট পোৱা গৈছিল আৰু কিছু পাৰচেণ্ট বেয়া বুলি কৈছে। সেই

*Speech not corrected

চিমেণ্টৰ প্ৰতিতো ৰাস্তা অ মি লেবৰেটে ৰিত পৰীক্ষা কৰি চাইছো । তাৰ পাচত দুজন বিষয়াৰ ওপৰত ব্যৱস্থাও লোৱা হৈছে। তাৰ উপ ৰ এই বিষয়টোৰ ওপৰত ডিপাৰ্টমেণ্টল অনুসন্ধান চলি আছে। এইটো আমি এৰি দিয়া নাই। আৰু বনোৱা কিছু অংশ ভাঙি দিয়া হৈছে। মাননীয় সদস্য বৰকট উল্লা আৰু কেইবাজনো সদস্যই এজন অভাৰচিয়াৰৰ বিষয়ে যি অভিযোগ আনিছে তেওঁ ডাঙৰ ঘৰ বান্ধিছে, মচজিদত দান দিছে আৰু স্কুলঘৰত দান দিছে ইত্যাদি বহু কথা। আমাৰ যি সকল বিষয়া আছে তেওঁলোকে এইবিষয়ে চকু ৰাখিছে। তেখেতে কৈছে মুখ্যমন্ত্ৰীৰ এটা চেল আছে আৰু সেই চেলে এইটো চাই আছে। আমিও সেইটো চাম। মাননীয় বিনয় কুমাৰ বসুমতাৰী ডাঙৰীয়াই এষ্টাব্লিচমেণ্টৰ কথা কৈছে। তেখেতে কৈছে যে এষ্টাব্লিচমেণ্টত যথেষ্ট টকা ধৰা হৈছে। দৰমহাৰ নিৰিখ সকলো ক্ষেত্ৰতে বাঢ়িছে সেইকাৰণে এইটো এই পৰিমাণে ধৰা হৈছে। আমাৰ এই শিতানত টকা আৰু বাঢ়িব। ১৯৮৫ চনত পৰিকল্পনাৰ ভাৰ চৰকাৰে বহন কৰিব তেতিয়া আমাৰ এষ্টাব্লিচমেণ্টৰ খৰচ বেধকৰো আমাৰ কামৰ তুলনাত যথেষ্ট কমিব। বসুমতাৰী ডাঙৰীয়াই ওদালগুৰি. তামুলপুৰ ৰোডৰ কথা কৈছে। ৰৌটাৰ আধা কিলোমিটাৰ ৰাস্তাৰ বাদে বাকীখিনি সম্পূৰ্ণ হৈছে। এইখিনি লেণ্ড একুইজিচন সম্পূৰ্ণ নোহোৱাৰ কাৰণে হোৱা নাই। এইবিষয়ে ডি, চি আৰু ৰেভিনিউ ডিপাৰ্টমেণ্টৰ লগত আলোচনা কৰি থকা হৈছে আৰু এই বিষয়ে কিবা এটা নিস্পত্তি হলেই কামতো কৰিব পৰা হব। তাত দুখন দলংৰ প্ৰয়োজন। এখন ন নৈৰ ওপৰত আৰু আনখন বৰনৈৰ ওপৰত। ন নৈৰ দলং সম্পৰ্কে বিশেষকৈ এই দলংখন বোৰ্ডাৰ এৰিয়াত পৰে কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত এই বিষয়ে দাখিল কৰা হৈছে। অনুদান হলেই কাম আৰম্ভ কৰিব পৰা হব। বৰনৈৰ স্থিতিতো বদলি হোৱাৰ কাৰণে অনুসন্ধান কৰা হৈছে আৰু আগৰ অনুসন্ধান সলাবলগীয়া হৈছে। সেই কাৰণে এইটো কৰিব পৰা হোৱা নাই। এই বিষয়ে আমি সজাগ। আৰু এই কামতো যাতে হয় আমি তাত চকু দিম।

Speeh not corrected

পূর্ব বড়া ডাঙৰীয়াই কৈছিল কাঠৰ দলংৰ কথা। কাঠৰ দলংৰ কাৰণে তাৰ বহুত টকাৰ আৱশ্যক। তাক সেইখিনি নোহোৱাত কৰিব পৰা নাই। এতিয়া আমি চ লজাৰি চাই দেখিছো যে প্ৰায় ৭ হাজাৰ ৮ শ মান কাঠৰ দলংৰ ভিতৰত ৯৫ খন দলং আৰ, চি, চি, ব্ৰীজ কৰাৰ অতি আৱশ্যক হৈছে তাক সেইখিনি কৰিব পাৰিলে আমাৰ বহুখিনি গড়কাপ্তানীৰ ৰাস্তা সংযোজিত হব আৰু ৰাইজৰো উপকাৰ হব। এইখিনি আমি পৰীক্ষা নীৰিক্ষা কৰি আছো। মই সদায় মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক কৈ আছো তাক মাননীয় প্ৰধান মন্ত্ৰী ৰাজীব গান্ধী মহোদয়কা কৈছো অসমৰ কাৰণে বেলেগ ভাবে চকু দিব লাগে কিয়নো আমাৰ ৰাস্তাবিলাকৰ অৱস্থা অতি বেয়া আৰু সীমামূৰীয়া ঠাই। মাননীয় বিনয় বসুমতাৰী ডাঙৰীয়াইও কৈছে যে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত এই বিষয়ে হেচা দিব লাগে। মাননীয় প্ৰধান মন্ত্ৰী ৰাজীব গান্ধী শিৱসাগৰলৈ আহিছিল। তাত এখন বৰ ডাঙৰ সভা বহিছিল। প্ৰায় ১২ লাখ মানুহ হৈছিল। তেখেতে শিৱসাগৰৰ ভিতৰুৱা অঞ্চললৈকে গৈছিল। তেখেতে ভিতৰুৱা অঞ্চললৈ আহোঁতে যিটো ৰাস্তাৰে আহিছিল সেই ৰাস্তা দেখি বুজিছিল আৰু কৈছিল যে এই ৰাস্তাৰ অৱস্থা তেখেতৰ আমেথি ৰাস্তাতকৈ বহুত ভাল বুলি কৈছিল। মই কলো এই অঞ্চলটো, ও, এন, জি, চি আৰু অন্যান্য এৰিয়া আৰু বাগান বিলাক আছে কাৰণে বৃটিছৰ দিনৰ পৰাই এই ৰাস্তাবোৰ অৱস্থা অলপ উন্নত। আপুনি যিটো দেখিছে প্ৰকৃততে সেইটো নহয়। সেইকাৰণে মই কলো আমাক বেছিকৈ টকা দিব লাগে। আমাৰ অয়েল ৰয়েলিটি বঢ়াই দিব লাগে আৰু এই ৰয়েলিটিৰে আমি ৰাস্তা-ঘাট বিলাকৰ কাম কৰাত সুবিধা হব। প্ৰলয়ঙকৰী বানপানীতো আমাৰ ৰাজ্যখনত আছেই। আমাৰ বৰপেটাৰ মাননীয় সদস্য সকলেও কৈছে, আমিৰ হামচা ডাঙৰীয়াইও কৈছে—এই বিষয়ে মই কব বিচাৰিছো যে এইখিনি আগৰ বানপানীৰ টকা। হেমেন দাস ডাঙৰীয়াই কৈছে যে ঠিকাদাৰ সকলে কাম কৰে কিন্তু পইচা নাপায়। কিন্তু মাননীয় সদস্য সকলে জনা উচিত যে বানপানীৰ সময়ত

---

*Specch not corrected

হঠাত প্ৰয়োজন হৈ পৰে আৰু অনতিপলমেই এই ৰাস্তাবিলাক সংযোজিত কৰি দিব লগা হয়। আমাৰ ইঞ্জিনীয়াৰ সকলে হুৰাহুৰিকৈ দিনেৰাতিয়ে খাটি কষ্ট কৰি লগতে আমাৰ মুনিন গৌতম ডাঙৰীয়াইও বহুত ঠাইত গৈ ৰাতিদিনে খাটি বানপানীৰ সময়ত এই ৰাস্তাবিলাক সংযোজিত কৰাৰ ক্ষেত্ৰত সহায় সহযোগ আগবঢ়ায়। আমাৰ ৩০ কোটি টকা মূল্যৰ ৰাস্তা এইবাৰ বানপানীয়ে নষ্ট কৰিলে। সেই সংখ্যা হ'ল ১ হাজাৰ ৯ শ ২৭ টা ৰাস্তা। ১৯ হাজাৰ ৫ শ ৯৩ কিলোমিটাৰ ৰাস্তা আৰু দলং আৰু কালভাৰ্ট দুয়োট মিলি ২ হাজাৰ ৬ শ ৩০ টা হ'বগৈ।

এইবাৰ বানপানী হ'ল যোৱা পঞ্চাশ বছৰেও এনেকুৱা বানপানী হোৱা নাই। এইবাৰ বহু বেচি ক্ষতিসাধন কৰিলে। যোৱা বছৰ আমি বিচাৰিছিলো ৯ কৌটি ৩০ লাখ টকা। তাৰে মাত্ৰ ২ কৌটি টকাহে আমাক দিছিল। আমি ভাবিলো কেন্দ্ৰীয় চৰকাৰে দিছে কিন্তু ৰেভিনিউ ডিপাৰ্টমেণ্ট কম কৰি পেলালে। সেইমতে কাম কৰিবলৈ দিয়া হ'ল আৰু ৰিলিজ কৰিলে ১ কৌটি ৫৩ লাখ টকা। ইয়াৰে আমি যিখিনি কাম কৰিলো সেইখিনিৰ মূল্য এই টকাৰে দিব লাগিব। এতিয়া কেন্দ্ৰীয় চৰকাৰে ৭ কৌটি ৬০ লাখ টকা দিছে বিল্ডিং, ৰোড ইত্যাদি সকলো মিলাই দিছে। এতিয়া 4 কৌটি টকা ৰিলিজ কৰিছে। আৰু সেইমতে কাম আৰম্ভ কৰা হৈছে। মাননীয় সদস্য সকলে ভালকৈ জানে যে আমাৰ ৰাষ্টা ঘাট বিলাক যাতে ভালধৰণে হয়, বেয়া কাঠ ইত্যাদি নিদিয়ে আৰু এম, এন, পি বোডৰ কথাও তাত আছে। ৰাইজৰ প্ৰতিনিধি হিচাবে আপোনালোক সকলোৱে এইবিলাক চকু দিব লাগে তেতিয়াহে আমি দুৰ্নীতিৰ পৰা ৰক্ষা পৰিব পাৰিম। কোনোবাই যদি ধৰা পৰিছে তেওঁক শাস্তি দিয়াটো উচিত আপোনালোকেই চাওক বদৰপুৰ জোৱাই ৰোডত যি জন ইঞ্জীনীয়াৰ ধৰা পৰিলে তেওঁক কঠোৰ শাস্তি দিয়া হ'ল। আৰু তেওঁৰ বিচাৰৰ কাৰণেই আকৌ আপোনালোকেই কলে। এইটো স্বাভাবিক আমি সকলোৱে মিলজুলি কাম কৰিব লাগিব। আমাৰ সদস্য সকল আৰু ৰাইজ যদি সজাগ হয় তেতিয়াহলে দলং, ৰাস্তা নিশ্চয় ভালে

★Sppeech not corrected

থাকিব। কিয়নো দলং দিয়াৰ পাচতেই দলংৰ চাইডৰ কাঠখিনি চুৰি কৰি লৈ যায়। ফলত সেই দলংৰ ওপৰেদি যোৱা লৰা-ছোৱালী, গৰু ইত্যাদি মৃত্যু মুখত পৰিছে। সেই দলংখনৰ ওচৰতেই থকা এঘৰ মানুহক মই কলো যে আপুনি ইমান ওচৰতেই আছে, আপুনি দলংখন কিয় নাচায় ? এইবাৰ কিন্তু দলংৰ কাঠ চুৰ হলে আপোনাকে ধৰা হব। পিচত দলং খন ঠিক কৰি দিয়া হ'ল। গতিকে আপোনালোকৰ সহযোগ থাকিলে নিশ্চয় দুৰ্নীতিৰ অৱসান ঘটিব। আমাৰ প্ৰিয় প্ৰধানমন্ত্ৰীয়ে কৈছে যে এডমিনিষ্ট্ৰেচন স্কিম হব লাগে। মই আমাৰ ইঞ্জিনীয়াৰ সকলক কৈছো যে সভা সমিতি পাতি হলেও ৰাস্তা, দলং ইত্যাদি বিলাক ভালকৈ কৰিব লাগে যাতে কোনো বদনাম নহয় আৰু ৰাস্তা ঘাট বিলাক মজবুত হব লাগে আৰু সোনকালে এই আঁচনি বিলাক সম্পূৰ্ণ কৰিব লাগে। কাৰণ পলম হলে দিগদাৰ হৈ যায়, বস্তুৰ দাম বাঢ়ি যায়। বস্তুৰ দাম বাঢ়ি গলে ৰাজ্যখনৰ খৰচো বাঢ়ি যাব। বিনয় বসুমতাৰী ডাঙৰীয়াই মঙ্গলদৈৰ কথা কৈছে। নেচনেল হাইওৱেৰ ৮২ ৰ ওপৰত যি ব্ৰীজ আছে সেইখনৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা অনাইছে। সেইটো তৎক্ষণাত বহল কৰা সহজ নহয়। সেইটো আমি কেনেকৈ কৰিব পাৰো সেইবিষয়ে চিন্তা কৰি আছো। আমাৰ এ, জি, চি, চিৰ দুখন দলং পৰি আছে। তাত যথেষ্ট জোৰ দিয়া হৈছে। আমাৰ ৰাণীফেৰীৰ কথা আলতাফ হোচেইন মজুমদাৰ ডাঙৰীয়াই কৈছে। তেখেতক মই জনাব বিচাৰিছো যে এই প্ৰস্তাৱটো যাতে এন. ই, চি ৰ সপ্তম পৰিকল্পনাত লোৱা হয় তাৰ কাৰণে প্ৰপোজেল পঠোৱা হৈছে। আৰু তেখেতে বান্ধৰ কথা কৈছে। ই, এন, ডি ৰ বান্ধ বিলাক নতুনকৈ লোৱাৰ কথা নাই। ১৯৮০ চনতেই পলিচি লোৱা হৈছিল, এই ৰোড কাম বান্ধ বিলাক ফ্লাড কণ্ট্ৰোলে ৰক্ষণাবেক্ষণ কৰিব আৰু তাৰ কাৰণে যি ট্ৰেইনিং লাগে সেইখিনিৰ ব্যৱস্থা কৰিব। সেই কাৰণে নতুন লোৱাৰ কথা নাই। বি, আৰ. কে ৰোডৰ মেৰামতিৰ কথা কোৱা হৈছে। মেৰামতিৰ কাৰণে যিমান পইচা লাগে সেই অনুপাতে আমাৰ টকা নিচেই কম। মেৰামতিৰ যিটো পইচা সেইখিনি আমাৰ

ৰাষ্টাত কাম কৰা শ্ৰমিক সকলৰ ৰক্ষণাবেক্ষণৰ কাৰণে লাগে । মাষ্টাৰৰোল শ্ৰমিক যিমানখিনি ৰাষ্টাত থাকিব লাগে সেই অনুপাতে কম হৈছে। ইউ, পি লৈ মই অলপতে গৈছিলো—তাত যি সকল মাষ্টাৰৰোল কৰ্ম্মী আছে সেই সকলোকে ৰেগুলাৰ কৰিছে । আমাৰ যিমান মষ্টৰৰোল লেবাৰ আছে সেই বিলাকো নিয়মীয়া কৰিব লাগিব । কাৰণ অন্যান্য প্ৰদেশ বিলাকত কৰিছে। আজি কেইবা বছৰো ধৰি পঞ্চম আৰু সপ্তম পৰিকল্পনাত ৰাস্তা ৰক্ষণাবেক্ষণ ধনৰ অভাবৰ কাৰণে আহুকাল পাই আহিছো। এই কালচোৰাত ৰাস্তা ৰক্ষণাবেক্ষণ কৰিব লগা হৈছে আৰু এই ধনৰ প্ৰায় শতকৰা ৪০ ভাগ ধন দৈনিক শ্ৰমিক মাষ্টাৰৰোল লেবাৰ কৰ্ম্মীৰ দ্বাৰা খৰচ কৰিব লগীয়া হৈছে। সেইটো কথা আমি যোৱাবাৰো কৈছিলো । এতিয়ালৈকে ৪৯৩১ শ্ৰমিকক গড়কাপ্তানী বিভাগে নিয়মিত কৰি লৈছে যদিও তেওঁলোকৰ দৰমহা মেৰামতিৰ পুজিৰ পৰাই বহন কৰা হৈ আছে। শ্ৰমিকক নিয়মিত কৰণৰ ফল স্বৰূপে বছৰি ১.৫৯ কৌটি টকা ব্যয়ৰ অতিৰিক্ত বোজা মেৰামতি পুজিৰ ওপৰত পৰিছে । আগতে উল্লেখ কৰা অনুযায়ী নিয়মিত কৰা শ্ৰমিক আৰু কৰ্ম্ম ব্যয় কৰ্ম্মচাৰী সকলৰ বেতন চৰকাৰী অনুস্থান হিচাবে দিয়াৰ ব্যৱস্থা হলে মেৰামতিত কিছু সহায় হব । এতিয়া চলিত বিত্তিয় বছৰত আৱশ্যক হোৱা ২৫ কৌটি টকাৰ ঠাইত ১২ কৌটি টকাহে দিছে। আগতে ১০ কৌটিৰেই নোজোৰে, প্ৰায় ৫ হাজাৰ মাষ্টাৰৰোল কৰ্ম্মীক এবছৰৰ কাৰণে হাজিৰা দিওতে আঢ়ৈ কৌটি টকা মেৰামতি পুজিৰ পৰা খৰচ কৰা হৈছে।

সেইদৰে এইবাৰ প্ৰায় ৭ কোটি টকা ৰাস্তা-ঘাট মেৰামতিৰ প্ৰকৃত কামৰ বাবে থাকিল । যত হাজিৰা আৰু দৰমহা পাতি দিওতে প্ৰায় ২০ কোটি টকাৰ দৰকাৰ হয় । এই টকাৰে ৰাস্তা-ঘাট মেৰামতি আৰু ৰক্ষণাবেক্ষণা কৰাত ত্ৰুটি হৈ যোৱাটো স্বাভাৱিক । এইখিনিতে মই কব বিচাৰিছো যে আমাৰ শ্ৰীপূৰ্ণ বড়ো ডাঙৰীয়াই কেইজনমান লেবাৰৰ কথা উল্লেখ কৰিছিল। ১৫ বছৰতকৈ বেচি কাম কৰা কেইজনমান শ্ৰমিকৰ কথা জনাইছে। টকাৰ

★Speech not corrected

অভাবৰ কাৰণে তেওঁবিলাকক বেগুলেৰাইজ কৰিব পৰা নাই। বাজেটত টকাৰ সংখ্যা তেনেই কম। সেই খিনৰ নাম দিলে অনুসন্ধান কৰি ব্যৱস্থা লম যাতে পায়। তেখেতে কৈছে যে এচ, এই কেইজনানক এবচেণ্ট দেখুৱাই দৰমহা দিয়া নাই। শ্ৰীদাস ডাঙৰীয়াই আগতে এবাৰ তেনেকুৱা নাম দিছিল আৰু তৎক্ষণাত দিয়াৰ ব্যৱস্থা কৰিছো। তেওঁলোকৰ নাম-বিলাক দিলে হাজিৰা পোৱাৰ নিশ্চয় ব্যৱস্থা লোৱা হব। মই মাননীয় সদস্যসকলক ক্ষৰ জোৰে অনুৰোধ কৰিছো যাতে কৰ্ত্তন প্ৰস্তাৱটো উঠাই লয় আৰু মঞ্জুৰীখিনি দিয়ে।

শ্ৰীঅলিত বড়ো : মই কব বিচাৰিছো যে জালাহশাৰী ৰাস্তাৰ ২১২ এই দলংখন এই বছৰ নহলে ৰাইজ ওলাব নোৱাৰিব। এই কাঠৰ দলং খন বানপানীত উটি গৈছে।

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) : বানপানীত যিমান দলং ক্ষতি হৈছে সেইখিনি টকা ভাগ কৰি পঠোৱা হৈছে। এই দলংখন যদি লোৱা নাই তেন্তে চাই লোৱাৰ ব্যৱস্থা লবলৈ অনুৰোধ জনাম। আলোচনাত অংশ গ্ৰহণ কৰি যিখিনি পৰামৰ্শ আগবঢ়ালে তাৰ বাবে সকলোকে ধন্যবাদ জনাইছো। এতিয়া কৰ্ত্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ জনাইছো।

Shri Binoy Kumar Basumatary : I want a clarification, Sir. I wanted to know from the Govt. how long they will take to complete the Kamalpur Bridge ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) : আঢ়ৈ কিলোমিটাৰত মাটিৰ গণ্ডগোল আছে। দি, চিঅ মাটি খিনি ঠিক কৰি দিলে অতি সোনকালে কৰিম।

Shri Binoy Kumar Basumatary : My point is categorical. I want particular assurance from the Minister as to when these two bridges I mentioned earlier will be completed ?

*Speech not corrected

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) : শ্ৰী সুমতাৰী ডাঙৰীয়াক জনাব বিচাৰো যে আমি তুয়ো লগ লাগি দি, চিক, কামটো কৰাৰ কাৰণে চেষ্টা কৰিম যাতে কামটো হৈ যায়। তুখন দলং বৰ্ডাৰ ৰডত লোৱা হৈছে। এখনৰ কিছু কাম আগবাঢ়িছে আৰু দ্বিতীয়খন সোনকালে কৰিব পাৰিম।

Shri Binoy Kumar Basumatary : Mr Deputy Speaker, Sir. The assurance given today is similar to that of the assurance given to me two years back. In view of this I want to say that the Deptt. has not moved an inch from the matter from the position where it stood two years back. Therefore, Sir, I cannot accept the assurance.

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) : তেখেতে মোক লগ পাব লাগিব। এই কৰ্তন প্ৰস্তাবটোৰ কথা কালি ঠিক কৰিছে। হয়তো কাগজ পত্ৰ বিচাৰি আনিছো। নহলে গোটেইখিনি জনাব পৰা হলহেঁতেন। তেখেতক মই গোটেইখিনি জনাম আৰু তেখেতে নিশ্চয় সৈমান হব।

Shri Binoy Kumar Basumatary : Sir, I beg leave to withdraw the Cut Motion.

Shri Mathura Deka : I also beg leave to withdraw the Cut Motion.

শ্ৰীহেমেন দাস : চিমেণ্ট স্কেণ্ডেলৰ কথাটো জানিব বিচাৰিছো। ছয় হাজাৰ বেগ নহয় কম বুলি কৈছে। কথা হল বালি কোনে কেতিয়া মিহলালে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) : কুৱালিটি কণ্ট্ৰল চেল আৰু লেবৰেটৰিত এইখিনি পৰীক্ষা কৰাৰ ব্যৱস্থা আছে। প্ৰত্যেক বেগ চিমেণ্টৰ পৰা চিমেণ্ট লৈ পৰীক্ষা কৰিছে। সময় লাগিব। মই মাতি আনিছিলো আৰু কৈছে যে সময় লাগিব। গোটেইখিনি কথাৰ তদন্ত চলি আছে।

*Speech not corrected

শ্ৰীমথুৰা ডেকা ডাঙৰীয়াই ট্ৰেড এদভাইজৰৰ কথা কৈছিল । এই পোষ্টটো জি, এ, দিৰ আওতাৰত পৰে । এতিয়া তেখেত দি, চি হৈছে । কলিকতাত ধৌওাৰ কৰি বস্তু পঠায় । মুখ্যমন্ত্ৰী ডাঙৰীয়াই সিদিনা কৈছিল যে ৰেলেৰে আনিব পৰা যায় । ৰেলেৰে আনোতে বেগ পোৱাত অসুবিধা হয় । গাড়ীত আনিলেও ওপৰঞ্চি পইচাটো দি দিয়ে । সময় মতে নানিলে লাখ লাখ টকা দেমাৰেজ চাৰ্জ ভৰিব লগা হয় । জাহাজেৰে আনিছো কিন্তু বেয়া হৈ যায় । জাহাজৰ এটা কেচ চলি আছে । ডিৰেক্টৰ অব মভমেণ্ট আছেই । বান নিয়ন্ত্ৰণ আৰু ইৰিগেচনকে আদি কৰি আন আন বিভাগত চিমেণ্টৰ কথাটো এইদৰে কৰি আছে । বিশেষ ভাবে চকু ৰাখিছো যাতে গড়কাপ্তানী বিভাগটো নিকা হয় আৰু ভালকৈ চলে । ৫০ খন দলং কৰিছো আৰু সেইদৰে ৰাস্তাও হৈছে । চৰকাৰে যদি বেয়া হয় তাৰ বাবে কঠোৰ ব্যৱস্থা লোৱাৰ আশ্বাস দিছো ।

শ্ৰীহেমেন দাস — চাৰ, তেখেতে যিটো স্পষ্টীকৰণ দিছে ভাবিছে নেকি যে সেইটো গড় কাপ্তানী বিভাগে কৰে ? কিন্তু চাৰ, কোনে কৰিলে আচল দোষ থাকিব লাগিব । এবস্তা হলেও তাৰ দায়িত্ব কাক দিছে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী)— নিশ্চয় থাকিব লাগিব । তদন্ত কৰি গোটেই কাগজপত্ৰ চাই অন্ততঃ আপোনাক জনাম । সিদিনা মই এই সম্বন্ধে কৈছোৱেই, আজি আকৌ আপোনালোকে ধৰিব বুলি মই ভবাই নাছিলো ।

শ্ৰীহেমেন দাস — এইটো পুলিচৰ কোনে কৰে ? ষ্টেট চি, আই দি নে চেণ্ট্ৰেল চি, বি আই ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী)— চি আই দিক দিয়া নাই, কথটো হৈছে যি খিনি তদন্ত হৈছে সেইখিনিত যদি সন্তুষ্ট নহয় তেন্তে চাব লাগিব । বিচাৰ্চ লেবৰেটৰীৰ পৰীক্ষা-নিৰীক্ষা শেষ হোৱা নাই ।

শ্ৰীহেমেন দাস - চৰকাৰে যি দলং মেৰামতি কৰিছে সেই দলঙো ভাঙি পেলাইছে । ষ্টেট লেবৰেটৰীয়ে প্ৰমাণ কৰিছে ভেজাল বুলি । মই সুধিছো এবস্তা হলেও কোনে ভেজাল কৰিছে এইটোৰ অনুসন্ধানৰ দায়িত্ব চি আই দি বিভাগক কিয় দিয়া নাই ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী)-- বৰ্তমান পুলিচ বিভাগে কৰি আছে।

শ্ৰীহেমেন দাস - পুলিচৰ চি আই দিক দিলে কি হয় ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী)—গোটেইখিনি তথ্যপা'ত চাই আপোনাক জনাই দিম।

শ্ৰীহেমেন দাস—আপোনালোকে চি আই দিক কিয় দিব খোজা নাই ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) পুলিচে চাই আছে কাৰণে।

Shri Binoy Kumar Basumatary ; Sir one of our colleagues has raised a pertinent question. We want an assurance from the Government whether this case will be handed over to the CID or not ? This is as simple as that.

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) ফাইনেল ৰিপৰ্ট পোৱাৰ পিচতহে ব্যৱস্থা লোৱা হব ।

শ্ৰীহেমেন দাস মন্ত্ৰী মহোদয়াই বালি মিহলোৱা নাই, তেনেস্থলত চি আই দিক দিবলৈ কিয় ভয় কৰিছে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) সদায় কথাবিলাক নিজৰ বিভাগকে দিয়া হয় ।

শ্ৰীহেমেন দাস— বিভাগে যিটো ৰিপৰ্ট দিছে সেইটো ভেজাল বুলিহে ধৰিছে।

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) দিয়া হব বাৰু।

Mr. Deputy Speaker : There were three cut motions and the moves of the motions have withdrawn them. Now, is it the pleasure of the house to grant leave to withdraw the cut motions ?

(voices; 'yes' 'yes')

The leave is granted and the cut motions stand withdrawn.

Now, I put the main motion that a sum of Rs. 87, 24, 57, 000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1 86 for the administraton of "Roads and Bridges".

Grant No. 69 is passed.

Now, Grant No. 37.

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী)—উপাধ্যক্ষ মহোদয়, মোৰ এটা কথা কব লগা আছে। শ্ৰীহেমেন দাস ডাঙৰীয়াই যিটো কথা কৈছে, তেখেতে কৈছে যে চি আই দিক দিয়াত কি আপত্তি আছে ? কথা হৈছে আমাৰ কাম হৈ থাকিব লাগে পুলিচ ৰিপৰ্ট চাইছে সেই মতে কৰা হব।

Now I beg to move that on the recommendation of the Governor of Assam, a sum of Rs. 12, 92, 92,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 3 st March 1986, for the administration of "Residential Buildings."

শ্ৰীহেমেন দাস—উপাধ্যক্ষ মহোদয় এটা কথামাত্ৰ মই জানিব বিচাৰিছো, আজি দুপৰীয়া মই কোৱাৰ্টাৰলৈ গৈ দেখিছোঁ যে মানুহটোৰ সমান এখন আইনা হাজিৰ হৈ আছে, এইবিলাক কোনে দিছে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী)—এই বিলাক আমি নিদিওঁ।

শ্ৰীহেমেন দাস—প্ৰত্যেকটো কটেজতে ফায়াৰ এক্স টিংগুইচাৰ, এইবিলাক ১০ লিটাৰ চৌদা পানীৰ বটল। মোৰ বাৰান্দাত থৈ আহিছে সেইটোৰে কি কৰিব লাগে আমি একো নাজানো। লগতে অনুসন্ধান কৰি জানিব পাৰিছোঁ যে এই মাৰ্চ মাহতে দুটা ডিভিজনে অপ্ৰয়োজনীয় ভাৱে এইবোৰ কিনিছে, এই সম্পৰ্কে মন্ত্ৰী মহোদয়াই তদন্ত কৰিবনে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ(মন্ত্ৰী) এচেনাব্লিৰ ফালৰ পৰা যোগান ধৰা হৈছে হবলা, ময়ো এম এল এ, হৈ থাকোতে এইবোৰ নাছিল। মই এইটো চাম।

শ্ৰীহেমেন দাস—মাত্ৰ দুটা ডিভিজনে ফায়াৰ এক্স টিংগুইচ ক্ৰয় কৰিছে, বহু পৰিমাণে। এই মাৰ্চ মাহত বস্তু কিনা সম্পৰ্কত মন্ত্ৰী মহোদয়াই এই দুটা ডিভিজনৰ কাম তদন্ত কৰিব।

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী)—চাম।

Mr. Deputy Speaker—Now I put the Motion that a sum of Rs. 12,92,92,000 under Grant No. 37 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March 1986, for the administration of "Residential Buildings."

The Motion is passed, Grant No. 37 is passed.

Now Grant No. 42.

Shri Dipak Moormoo (Minister)—Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 50,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March 986 for the administration of "Relief and Rehabilitation"

Mr. Deputy Speaker—On this Grant, there are two cum motions. No. 1 is moved by Sarvasree. Hussain, Alit Chandra Boro, Binoy Kumar Basumatary and Tajamul Ali Laskar, and No. 2 by Shri Mathura Deka.

Shri Binoy Kumar Basumatary—Sir, I beg to move that the total provision of Rs. 50,000 under Grant No. 42

in respect of "Relief and Rehabilitation" at pages 120-131 of Volume II Part I of the Budget, be reduced to Re. 1 i. e., the amount of the whole grant of Rs. 50,000 do stand reduced to Re. 1.00.

Sir, regarding this demand last year and even this year Rs. 50,000/- is provided. Out of this Rs. 40,000/- spent on salaries and establishment and only Rs. 10 000/- will be actually used for relief. And out of this Rs. 8,000/- will be paid as salaries to migrant camps and only Rs. 2,000/- will be spent on migrants from Bangladesh. So, this is the total relief and rehabilitation work in the State. Due to flood and other com munal incidents we have been spending crores of rupees and we do not get facility to discuss about this. Relief and rehabilitation grants are to be normally received from Revenue GAD and other sources. This amount, we cannot understand. Last time also and again it is repeated this years. What is the use if you take the demands in this house and repeat the objections again. What is the use ? Sir, I wish to express my unhappiness on this demand.

শ্ৰীমথুৰা ডেকা—মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ দুটামান কথা এই খিনিতে কব লগা আছিল সেইটো কব খুজিছোঁ। কথাটো হল আমাৰ কেন্দুকোনাৰ যিবিলাক মানুহ ভগনীয়া আছিল সেইবোৰৰ ৰিহেবিলেচন হোৱা নাই। এইবিলাকৰ কিবা এটা ব্যৱস্থা যাতে কৰে তাৰ বাবে মই অনুৰোধ কৰিলোঁ।

শ্ৰীদীপক মূৰ্ম্মু (মন্ত্ৰী)—উপাধ্যক্ষ মহোদয়, এই কথাটো হৈছে ১৯৬৪ চনত যেতিয়া মাইগ্ৰেচন হৈছিল ইষ্ট পাকিস্থানৰ পৰা আহিছিল তেওঁলোক

গোটেই বিলাক আমাৰ অসমত কেইবাখনো জিলাত যেনে কামৰূপ, দৰং নগাওঁ আৰু গোৱালপাৰাত প্ৰভাইড কৰা হৈছিল। তেতিয়া কেন্দ্ৰীয় চৰকাৰে এইবিলাকৰ সাহায্যৰ কাৰণে ফাণ্ড দিছিল। এইটো তেতিয়াৰ কথা, এতিয়াৰ নহয়। বানপানীৰ সাহায্যৰ কথা নহয়। সেই কাৰণেই মই এই কথাটো এই ধৰণে উত্থাপন কৰিছোঁ। ৫০ হাজাৰ টকা মঞ্জুৰী বিছাৰিছোঁ এই বুলি যে আমাৰ ৰেচিডিয়েল এটট্ৰিচ কৰিব লগা আছে। আমাৰ কিছুমান বুঢ়া মানুহ আছে আৰু কিছুমান ডেষ্টিটিউট আছে এই বিলাকৰ লায়েবিলিটিজ্‌ আমাৰ আছে। এই বিলাক ষ্টেটৰ পাৰমেনেণ্ট লায়েবিলিটী। সেই কাৰণে মই চিনিয়ৰ একাউণ্টেণ্ট এজন, ইউ, ডি এজন, এল, ডি ৪ জন আদি কেইবজনকো নিয়োগ কৰিব বিচাৰিছোঁ। ইয়াৰ পৰা আমাৰ নিৰনুৱা সমস্যাও কিছু সমাধান হব।

শ্ৰীপূৰ্ণ বড়ো : উপাধ্যক্ষ মহোদয়, মই ৰিলিফ এণ্ড ৰিহেবিলিটেচন এই শিতানটো প্ৰাকৃতিক দুৰ্য্যোগত ক্ষতিগ্ৰস্ত হোৱা মানুহ কাৰণে সাহায্য বুলি ধৰা নাই। ১৯৮৩ চনত নিৰ্ব্বাচনৰ সময়ত যিবিলাক মানুহৰ ঘৰ জ্বলিছিল, মই গোৰেশ্বৰ অঞ্চলৰ কথা কৈছোঁ তেওঁলোকে এখন এখন চাৰ্টিফিকেট লৈও আহিছিল তেওঁলোকক চৰকাৰে সাহায্য দিয়াৰ কথা আছিল, কিন্তু খুব কম সংখ্যকেহে এই সাহায্য পালে আৰু বাকী কিছুমান এতিয়াও আমাৰ ওচৰলৈ আহি আছে। এইবোৰৰ ব্যৱস্থা কি হব ?

শ্ৰীদীপক মূৰ্ম্মু (মন্ত্ৰী) : এইটো বেলেগ বিভাগৰ কথা আমাৰ বিভাগৰ নহয়।

Shri Binoy Kumar Basumatary —Sir, we want to discuss on the issue of relief and rehabilitation. I know that out of 23,000 people affected in Gohpar the Tribal people numbering olny 10,000/- aprox have been given relief and some amount of money are still being distributed. So, we want to have a specific discussion on relief and rehabilitation as our people have not got relief. How

we shall discuss, and on this demand we fought last time also.

Shri Md. Idris, (Minister Finance) : That matter will come in separate Head.

Shri Binoy Kr. Basumatary, Sir, which Head ? We want to know under which grant we will discuss relief and rehabilitation ?

Shri Mohammad Idris (Minister, Finance) . Sir, the exact grant under which the relief and rehabilitation matter will come up for discussion is not available with me now. I will have to find out under which head this would come. Most probably under natural calamities under Grant No. 47.

Shri Benoy Kumar Basumatary : Sir we wanted clarification. We did not get. They did not clearly specify Therefore, we passed the Grant. In this way, they are avoiding us. Kindly see where do we stand now ?

Shri Mohammad Idris (Minister, Finance) : Sir, I am very sorry that the Grant which is now under discussion is not the Grant that the Hon'ble Members are referring to. I will mention the specific Grant No.

Shri Hemen Das : Sir, your Officer is trying to help you. Kindly collect the paper from him.

Shri Mohammad Idris (Minister, Finance) : Sir, yes, the relief and rehabilitation matter will come up for discussion under Grant No. 46. This would be taken up on Monday, the 25th March.

Shri Benoy Kumar Basumatary : Sir, I think, we have already passed that grant yesterday.

Shri Mohammad Idris (Minister, Finance) : Sir, we have not passed that Grant yet.

Mr. Deputy Speaker : Is it the pleasure of the House to leave grant to withdraw the Cut Motion ?

(The leave is granted and Cut Motion is withdrawn.)

Now, I put the main grant that a sum of Rs. 50, 000/-be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March 1986 for the administration of "Relief and Rehabilitation".

The Grant No. 42 is passed.

Now, Grant No. 29. Health Minister to move.

Dr. Bhumidhar Barman (Minister, Health) : On the recommendation of the Governor of Assam, I beg, Sir; to move that a sum of Rs. 3,05,82,000/-,be granted to the Minister-in-charge to defray fhe charges which will come in course of payment during the year ending the 31st March 1986 for the administration of "Aid Materials".

Mr. Deputy Speaker : There is no Cut Motion. So. I put the main grant that a sum of Rs. 3,05,82,000/-, be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Aid Materials".

Grant No. 29 is passed.

Now, Grant No. 21. Minister, PWD to move.

Smti. Syeda Anwara Taimur (Minister, PWD) : On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 36,40,69,000/-, be granted to the Minister-in-Charge to defray the charges which will come in course of payment during the year ending the 31st March 1986 for the administration of "Administrative and Functional Buildings."

Mr Deputy Speaker : There is one Cut Motion tabled by Shri Chandradhar Kalita who is absent.

Now, I put the main grant that a sum of Rs. 36,40, 69.000/-be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March 1986 for the administration of "Administrative and Functional Buildings".

Grant No. 21 is passed.

Now Grant No. 35. Minister, Town and Conntry Planning to move.

Shri Jagannath (Minister, Town and Country Planning) On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 1,21,67,000/-be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March 1986 for the administration of "Sanitation and Sewerage".

Mr. Deputy Speaker : There is one Cut Motion tabled by Shri Mathura Deka. Now, Shri Deka to move.

শ্ৰীমথুৰা ডেকা : এতিয়া আৰু সময় নাই কাৰণেই কৰ্তন প্ৰস্তাৱ উত্থাপন নকৰো ।

Mr. Deputy Speaker : Now, I put the main grant that a sum of Rs. 1,21,67,000/-be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March 1986 for the administration of "Sanitation and Sewer age''

Grant No. 35 is passed.

Now, Grant No 12 Minister, Labour to move.

Shri Rameswar Dhanowar (Minister, Labour) - On the recommendation of the Governor of Assam, I beg, Sir, to move that a sun of Rs. 10, 90, 000/ - be granted to the Minister-in charge to defray the charges which will come in course of payment during the year ending the 31st March 1986 for the administration of "Electrical Inspectorate"

Mr. Deputy Speaker -There is no cut motion to this Grant. So, I put the main grant that a sum of Rs. 10,90,000/-be granted to the Minister-in-charge to defrey the charges which will come in course of payment during the year ending the 31st March 1986, for the administration of " Electrical Inspec torate ".

Grant No. 12 is passed.

Now, Grant No. 14. Minister, Finance to move.

Shri Mohammad Idris (Minister, Finance)- on the recommendation of the Governor of Assam, I beg Sir, to move that a sum of Rs. 4,92,000/-be granted to the

Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March 1986 for the administration of "Financial Inspection"

Mr. Deputy Speaker- There is no cut Motion to this Grant. So, I put the main grant that a sum of Rs.4,92,000- be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March 1986 for the administration of "Financial Inspection".

Grant No. 14 is passed.

শ্ৰীহেমেন দাস : মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা কালি মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে সদনত এটা ভুল তথ্য ডাঙি ধৰা বুলি মই আজি 'জিৰ' আৱৰচত সদনত উল্লেখ কৰিছিলো। যোৱা কালি মাষ্টাৰ ৰোলৰ কৰ্ম্মা সকলে ধৰ্ম্মঘট উঠাই লোৱা বুলি মন্ত্ৰী গৰাকীয়ে কৈছিল। কিন্তু মই যোৱা ৰাতি খবৰ পালো যে এই কথা সচা নহয়। তেওঁলোকে আন্দোলন চলাই আছে। যদি এতিয়াও কামত যোগদান নকৰে তেন্তে এইটো কেনেকৈ ফিজল আউট হল ?

শ্ৰীসাধন ৰঞ্জন চৰকাৰ (মন্ত্ৰী) : উপাধ্যক্ষ মহোদয়, মই যোৱাকালি ৰিপোৰ্টৰ ওপৰত নিৰ্ভৰ কৰি এই কথাষাৰ কৈছিলো। মই সদনত কোনো ৰকমৰ মিছা কথা কোৱা নাই। মই জনাত সৰহভাগ শ্ৰমিকে কামত যোগ দিছে। গতিকে মোৰ ৰিপোৰ্ট মিছা হব নেলাগে। ধৰ্ম্মঘট উঠাই লৈছে।

শ্ৰীহেমেন দাস : এই বিষয়টোৰ প্ৰতি মই প্ৰত্যাহ্বান জনাইছো। কালিলৈকে এজনো ধৰ্ম্মঘটকাৰী শ্ৰমিকে খানাপাৰাৰ ডায়েৰী ফাৰ্মত কামত যোগদান কৰা নাই।

শ্ৰীসাধন ৰঞ্জন চৰকাৰ (মন্ত্ৰী) : উপাধ্যক্ষ মহোদয়, এই বিভাগৰ মাষ্টাৰ ৰোলৰ শ্ৰমিক বুলিলে অকল খানাপাৰাৰ শ্ৰমিক খিনিকে নুবুজায়, গোটেই অসমতে এনে শ্ৰমিক আছে ৫২৩ জন। তাৰ ভিতৰত ১১২ জন কৰ্ম্মীৰ

বাহিৰে বাকী সকলো কৰ্ম্মীয়ে কামত যোগ দিছে। মই যোৱাকালি যিটো ৰিপোৰ্ট পাইছো তাৰ পৰা বুজা যায় যে শতকৰা ৮০ভাগ কৰ্ম্মীয়ে কামত যোগদান কৰিছে। আৰু সেই কাৰণে এই ধৰ্ম্মঘটটো ফিজল আউট হৈছে। গতিকে মই ভাবো যে সদনত মই একো ভুল তথ্য দাঙি ধৰা নাই।

Mr. Deputy Speakar—The House stands adjourned till 9-00 A M fomorrow the 22nd March 1985.

ADJOURNMENT

The House then rose at 5-31 PM and stood adjourned till 9. A.M. on Friday, the 22nd March, 1985.

Dated Dispur
The 21st March 1985

P.D. Barua
Secretary
Assam Legislative Assembly